Content includes AI-generated material

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, JUNE 4, 2025 ■ বুধবাৰ, ২০ জেঠ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৫৭ Guwahati, Assam ।। মূল্যঃ এটকা

## প্ৰথমটো বানতেই নাজল-নাথল কাজিৰঙা

ই-সংবাদ, ৩ জুনঃ বাৰিষাৰ আৰম্ভণিতে বানত বুৰ গ'ল কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান। বিস্তৃত অঞ্চল বানত বুৰ ৩ পৃষ্ঠাত

## পুৰাই কামাখ্যা দৰ্শন কৰি ৰাজীৱ ভৱনত ভূপেন বৰাৰ পৰা ল'লে দায়িত্বভাৰ



# জয়ৰ লক্ষ্যৰে গৌৰৱ গগৈৰ প্ৰদেশ কংগ্ৰেছত কাৰ্যকাল আৰম্ভ

ই-সংবাদ, ৩ জুনঃ বহু প্ৰত্যাশিত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নতুন সভাপতি গৌৰৱ গগৈয়ে আজি দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছতে এক দলীয় সভাত অংশগ্ৰহণ কৰি ২০০২৬ৰ যুঁজৰ বাবে ২ নং পৃষ্ঠাত



## ২০২৬ৰ যুঁজৰ বাবে সকলোকে সাজু হ'বলৈ আহ্বান, বিচাৰিলে তৃণমূল কৰ্মী-ৰাইজৰ সহযোগ



## ধেমাজি, লখিমপুৰৰ লগতে অৰুণাচলতো তীব্ৰ প্ৰতিবাদ জনতাৰ

# নদীবান্ধৰ বিৰুদ্ধে পুনৰ আৰম্ভ আন্দোলন

■ জলবোমা নিৰ্মাণ কৰি আৰু মানুহ হত্যা নকৰিবলৈ জনালে আহ্বান

ই-সংবাদ বিশেষ, ৩ জুনঃ উত্তৰ-পূবত পুনৰ তীব্ৰতৰ হৈ পৰিছে নদীবান্ধ বিৰোধী আন্দোলন। এইবাৰ অৰুণাচল প্ৰদেশৰ উজনি ছিয়াং জিলাৰ ৩ নং পৃষ্ঠাত চাওক




নদীবান্ধৰ বিৰুদ্ধে প্ৰতিবাদ

## প্ৰধানমন্ত্ৰীৰ চিএমলৈ ফোন, ল'লে খবৰ অসমৰ বানপানী



ই-সংবাদ, ৩ জুনঃ প্ৰবল বৃষ্টিপাতৰ ফলত অসমকে ধৰি উত্তৰ-পূবত ৮ পৃষ্ঠাত

## বহিঃৰাজ্যত অসমৰ যুৱতীৰে দেহ ব্যৱসায়! গ্ৰেপ্তাৰ বিজেপি নেতা

ই-সংবাদ, ৩ জুনঃ উত্তৰ প্ৰদেশৰ মেইনপুৰি বিজেপি মহিলা মৰ্চাৰ নেত্ৰীৰ ৪ পৃষ্ঠাত

## আজাদৰ বাসগৃহত চলিল বুলড'জাৰ অঞ্চলবাসীৰ প্ৰতিবাদ

ই-সংবাদ, ৩ জুনঃ বীৰ লাচিত সেনাৰ প্ৰতিবাদত সেও মানি ৰাজ্যজুৰি চৰ্চিত ৪ নং পৃষ্ঠাত

## পানীৰ তলত উপত্যকাৰ বিস্তৃৰ্ণ অঞ্চল, বিচ্ছিন্ন শিলচৰ বৰাকৰ বানৰ খবৰ ল'বলৈ উপস্থিত হ'ল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব

ই-সংবাদ, ৩ জুনঃ বান আৰু ভূমিস্খলনে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে বৰাক উপত্যকাত। ৪ নং পৃষ্ঠাত




## উচ্ছেদিতৰ প্ৰশ্নত বিবুধিত জয়ন্ত মল্ল, শিলসাঁকোত মহিলাৰ ক্ষোভ

ই-সংবাদ, ৩ জুনঃ আজি মহানগৰীৰ শিলসাঁকোত একাংশ মহিলাৰ ৰোষত পৰে মন্ত্ৰী জয়ন্তমল্ল বৰুৱা। আৰক্ষীৰ বেহ ফালি মন্ত্ৰীক ৫ পৃষ্ঠাত চাওক

## অবাধ্য আদানি! নিষেধাজ্ঞা স্বত্বেও গোপনে তেল আমদানি ইৰাণৰ পৰা, ক্ষুব্ধ আমেৰিকা

নিউয়ৰ্ক, ৩ জুনঃ আমেৰিকাৰ নিষেধাজ্ঞাক আওকাণ কৰি ইৰানৰ পৰা তেল আমদানি কৰি আকৌ বিপদত পৰিছে ভাৰতীয় ধনকুবেৰ গৌতম আদানি। ৮ নং পৃষ্ঠাত






## দিল্লীত এছচি সংগঠনৰ সংবাদমেল ভূমিপুত্ৰ এপ বন্ধ কৰাৰ দাবী চৰকাৰক




নতুন দিল্লী, ৩ জুনঃ অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদ আৰু সদৌ অসম কৈৱৰ্ত যুৱ-ছাত্ৰ সম্মিলনীৰ নেতা সঞ্জীৱ দাস, জয়ন্ত ৭ নং পৃষ্ঠাত

## দীঘলী পুখুৰীৰ পাৰত আকৌ প্ৰশাসনৰ কু-দৃষ্টি

# ষ্ট্ৰীট লাইট নুমাই চোৰৰ দৰে গছ কটাৰ বৃথা চেষ্টা!



ই-সংবাদ বিশেষ, ৩ জুনঃ সোমবাৰে নিশা দীঘলীপুখুৰী, ৰবীন্দ্ৰ ভৱন, ৰাজ্যিক সংগ্ৰহালয় আৰু প্ৰেছ ক্লাবৰ কাষত ৮ পৃষ্ঠাত

## কোকৰাঝাৰত সভা পুনৰবাৰ এবছুৰ সভাপতি দ্বীপেন বড়ো



কোকৰাঝাৰ, ৩ জুনঃ পুনৰবাৰ নিখিল বড়ো ছাত্ৰ সন্থা ৫ নং পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# জয়ৰ লক্ষ্যৰে গৌৰৱ গগৈৰ প্ৰদেশ

সকলোকে সাজু হ'বলৈ আহ্বান জনায়। মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সত সহস্ৰাধিক কংগ্ৰেছ কৰ্মীৰ উপস্থিতিত আজি লোকসভাৰ বিৰোধী দলৰ উপ-দলপতি গৌৰৱ গগৈয়ে উপস্থিত সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জনাই কয়, "মই অকলে একো কৰিব নোৱাৰোঁ। মোক আপোনালোকৰ সহায় লাগিব।" কংগ্ৰেছ দল কোনো পদবী বা ব্যক্তিৰ নহয় বুলি উল্লেখ কৰি গৌৰৱ গগৈয়ে কয় যে কংগ্ৰেছ জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে সকলোৰে দল। তেওঁ কয়, "বুথ, মণ্ডল, ব্লকৰ পৰা আৰম্ভ কৰি জ্যেষ্ঠসকলৰ সহায় লাগিব। সাংসদ-বিধায়ক, প্ৰাক্তন সাংসদ-বিধায়কৰ সহায় লাগিব। মই কোনো ব্যক্তিগত স্বাৰ্থ লৈ ইয়ালৈ অহা নাই। মই কংগ্ৰেছ দলক শক্তিশালী কৰিবলৈ আহিছোঁ। য'ত আমাৰ সাংসদ, বিধায়ক নাই তাত কষ্ট কৰি থকা কংগ্ৰেছ কৰ্মীসকলক শক্তিশালী কৰিবলৈ মই আহিছোঁ। কাৰ্বি আংলং, ডিমা হাছাও, বিটিআৰ, তিনিচুকীয়া, বিশ্বনাথ, শোণিতপুৰত দলটোক শক্তিশালী কৰিব লাগিব। আমি নিজেই গৈ বুথত সহায় কৰিব লাগিব। নিজৰ বুথ সবল কৰিব লাগিব।" বিহালী সমষ্টিৰ উপ-নিৰ্বাচনৰ তথ্য দাঙি ধৰি গৌৰৱ গগৈয়ে কয় যে বিহালীত প্ৰাক্তন মন্ত্ৰী, জিলা সভাপতিয়ে এটা এটা বুথত কাম কৰিছিল। তাৰ ফলত ডেৰমাহত কি হ'ল দেখিছো। যি সমষ্টিত আগতে আমি ৩০-৪০ হাজাৰ ভোটৰ ব্যৱধানত হাৰিছিলো আজি তাত মাথোঁ ৯ হাজাৰ ভোটৰ ব্যৱধানত আমি হাৰিছোঁ। সময়ৰ অভাৱৰ কাৰণে আমি বিহালীত হাৰিছিলো। সেই কাৰণে সময় বৰ গুৰুত্বপূৰ্ণ। আমাৰ হাতত আজিও সময় বেছি নাই। আমাৰ হাতত সময় মাথোঁ ১০ মাহ আছে। আমি আজিৰে পৰা ভাবিব লাগিব যে নিৰ্বাচন আৰম্ভ হ'ল। ভাষণৰ মাজতে শ্ল'গান দি কয় যে আপোনালোকে মনত ৰাখক এইবাৰ যুঁজ হ'ব। বিজয় নিশ্চয় আমাৰ হ'ব। আমি হঠাতে এই ঠাই পোৱা নাই। ইয়াৰ আগত বহুতৰ ত্যাগ, কষ্ট আছে। তেওঁলোকক আমি কেতিয়াও পাহৰিব নোৱাৰোঁ। নতুন সভাপতিগৰাকীয়ে আৰু কয়, "আমি ভূপেন বৰা ডাঙৰীয়াই ধুবুৰীৰ পৰা শদিয়ালৈ আৰম্ভ কৰা ভাৰত জড়ো যাত্ৰা পাহৰিব নোৱাৰোঁ। আমি যোৰহাটত দুগৰাকী মহান ব্যক্তিক শ্ৰদ্ধাঞ্জলি জনাইছোঁ। প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া আৰু তৰুণ গগৈ। এই দুগৰাকী ব্যক্তিয়ে জটিল দিনত কংগ্ৰেছ দল ধৰি ৰাখিছিল। কংগ্ৰেছ দলৰ দীৰ্ঘকালীন যাত্ৰাত জ্যেষ্ঠসকলে ঘাত-প্ৰতিঘাতৰ সন্মুখীন হ'বলগীয়া হৈছে। আমাৰ মাজত ঘাত-প্ৰতিঘাত থাকিব। এই ঘাত-প্ৰতিঘাত নেওচি আমি আগুৱাই যাব লাগিব।" গগৈয়ে কয়, "এইখন চৰকাৰে আমাৰ মুখপাত্ৰ ঋতম সিঙক ভুৱা গোচৰ লগাই এমাহ জে'লত ৰাখিছে। আগন্তুক দিনত আমিও জে'ল খাব লাগিব। কিন্তু আমি ভয় নকৰোঁ। গোচৰ দিব, মণ্ডল কংগ্ৰেছৰ মানুহক হেঁচা দিব। দোকান ক ৰা কংগ্ৰেছৰ দোকানীক, ব্যৱসায় কৰা কংগ্ৰেছীক হেঁচা দি ক'ব যদি ব্যৱসায় চলাই থাকিব খোজে তেন্তে বিজেপিক সমৰ্থন কৰক। কিন্তু আমি ভয় কৰিলে নহ'ব। বিহালীত নিৰ্বাচনৰ সময়ত কংগ্ৰেছ নেতাৰ দোকান ভাঙি পেলালে। সেই কংগ্ৰেছৰ দোকানীয়ে ক'লে আপোনালোকে মোৰ দোকান ভাঙি পেলাব পাৰে। কিন্তু মোৰ অন্তৰত থকা কংগ্ৰেছক ভাঙি পেলাব নোৱাৰে।" বিজেপি চৰকাৰে জাপি দি অহা গোচৰ সন্দৰ্ভত সকলোকে সাহস দি গগৈয়ে আৰু কয়, "মই এই সভাৰ পৰাই কৈছোঁ। বিজেপিয়ে যিমান গোচৰ দি য়ে দিয়ক, যিমান দাগ লগায় লগাওক। আমি অসমৰ ৰাইজৰ সৈতে লগ লাগি সেই দাগ মোহাৰি পেলাম। এই ক্ষেত্ৰত অসমৰ ৰাইজৰ ভূমিকা গুৰুত্বপূৰ্ণ। বিৰোধীৰ ভিতৰত আমি আটাইতকৈ ডাঙৰ দল। যোৰহাটত আমি জয়ী হৈছিলো যুৱ প্ৰজন্ম, মহিলা, ডেকাসকলৰ আশীৰ্বাদ লৈ। আমি কংগ্ৰেছ দলে অকলে একো কৰিব নোৱাৰিম। আমি এই মঞ্চৰ পৰাই অসমবাসীৰ মৰম, সহায়, আশীৰ্বাদ বিচাৰিছোঁ। খেতিয়কসকলে আমাক সহায় কৰক। বয়োজ্যেষ্ঠ, বুদ্ধিজীৱীসকলে আমাক পৰামৰ্শ দিয়ক। নৱপ্ৰজন্ম আমাৰ সৈতে ওলাই আহাক। মহিলাসকলে আমাক সহায় কৰক। বিভিন্ন জাতি, জনগোষ্ঠী, খিলঞ্জীয়া, ভূমিপুত্ৰৰ স্বাৰ্থত সকলোৰে ওলাই আহক। আমি সকলোৰে একত্ৰিত হৈ লোকতন্ত্ৰ ৰক্ষাৰ স্বাৰ্থত এই বিজেপি চৰকাৰক বিদায় দিওঁ।" কংগ্ৰেছ দলৰ নেতা-কৰ্মীক কাতৰ আহ্বান জনাই গগৈয়ে কয় যে আমি প্ৰথমে দল শক্তিশালী কৰিব লাগিব। বুথ, ব্লক, মণ্ডল শক্তিশালী কৰিব লাগিব। বিভিন্ন জাতি, বৰ্ণ, ধৰ্মৰ লোকক দলত স্থান দিব লাগিব। যুৱ প্ৰজন্মৰ ওচৰলৈ যাব লাগিব। জ্যেষ্ঠসকলে কনিষ্ঠসকলক কাম কৰিবলৈ এৰি দিব লাগিব। জ্যেষ্ঠসকলৰ পৰা পৰামৰ্শ লওক। মই আজি কথা দি কওঁ যে যিসকলে কষ্ট কৰি আছে তেওঁলোকৰ কষ্ট ব্যৰ্থ নহয়। যিসকলে গাঁৱত বেছিকৈ কষ্ট কৰি আছে সেইসকলৰ কষ্ট এনেয়ে নাযায়। লগতে গৌৰৱ গগৈয়ে আন এটা কথা স্পষ্ট কৰি কয় যে যিসকলে আমাৰ দল এৰি গৈছে সেইসকলে আমাৰ দলৰ উত্থান দেখি আকৌ আহিব খোজে। বেয়া দিনত দল এৰি যোৱাসকলে মোক শুভেচ্ছা জনাবলৈ ফোন কৰিছে। তেওঁলোকে কংগ্ৰেছ দললৈ ঘূৰি আহিব খোজে। যদি তৃণমূলৰ কৰ্মীয়ে বিচাৰে তেন্তে সেইসকলক দলত লোৱা হ'ব। যদি নিবিচাৰে তেন্তে দলত লোৱা নহ'ব। তৃণমূলে গ্ৰীণ ছিগনেল দিলে দুৱাৰ খুলি দিম। নতুন সভাপতিগৰাকীয়ে আৰু কয়, "কৰিবলৈ আমাৰ বহু কাম আছে। ৰাইজে বিচাৰে আমি বহু কাম কৰিব লাগিব। গুণ্ডাগিৰি, ভয়-ভাবুকি, হিংসা-ঘৃণা আৰু সাম্প্ৰদায়িক ৰাজনীতিৰ পৰা অসমক মুক্ত কৰা।" গগৈয়ে কয় যে এইখন অসম শংকৰদেৱৰ অসম, আজানপীৰৰ অসম, জ্যোতিপ্ৰসাদ আগৰৱালাৰ অসম, লাচিত বৰফুকনৰ অসম, শ্বহীদ কমাল মিৰিৰ অসম। আমি অসমত সমন্বয়, সম্প্ৰীতি বিচাৰোঁ। এইখন অসমত আমি জাতীয়তাবাদী চিন্তাধাৰা জীয়াই ৰাখিব বিচাৰোঁ। এই চিন্তাধাৰাৰ বাবে আমাক বিজেপিৰ পৰা চাৰ্টিফিকেট নালাগে। ৰাষ্ট্ৰভক্তি কি, দেশভক্তি কি তাৰ চাৰ্টিফিকেট বিজেপিৰ পৰা নালাগে। যি দেশত কোনো এটা দলে স্বাধীনতা আন্দোলনৰ বাবে যুঁজিছিল সেইটো আছিল কংগ্ৰেছ দল। দেশৰ বাবে যদি কোনোবাই ত্যাগ আৰু বলিদান কৰিছে সেইটো দল হৈছে কংগ্ৰেছ। কংগ্ৰেছ দলটোক কাৰোৰে পৰা চাৰ্টিফিকিটে নালাগে বুলিও স্পষ্ট কৰি দিয়ে গগৈয়ে। তেওঁ কয়, "আমি উচ্চ শিক্ষাত গুৰুত্ব দিব লাগিব। শিক্ষা অৱস্থা ভাল নহয়। পলিটেকনিকৰ প্ৰৱক্তাৰ কি অৱস্থা হৈছে। স্বাস্থ্য খণ্ডৰ অৱস্থা ভাল নহয়। আজি মেডিকেললৈ গ'লে ডাক্তৰে কয়- তুমি চেন্নাইলৈ যোৱা। আমি গ্ৰামোদ্যোগৰ ওপৰত গুৰুত্ব দিব লাগিব। আজি অসম চৰকাৰে মাথোঁ চাৰিজন ঠিকাদাৰক চিনি পায়। আগতে গাঁৱৰ ঠিকাদাৰে কংগ্ৰেছ চৰকাৰৰ দিনত ঠিকা পাইছিল, সেইসকল এতিয়া ধ্বংস হ'ল। আমি সফল হ'ব লাগিলে সকলো ভাতৃ সংগঠন, অ'বিচি চেল, ছ'চিয়েল মিডিয়া চেল, এছচি চেল, এছটি চেল, কিষাণ কংগ্ৰেছ আদিয়ে নিজৰ নিজৰ দায়িত্ব ল'ব লাগিব।" এইদৰে সকলোকে ২০২৬ৰ নিৰ্বাচনত নতুন অসম গঢ়াৰ পণ লৈ এতিয়াৰ পৰা সাজু হ'বলৈ আহ্বান জনায় নতুন সভাপতিগৰাকীয়ে। আজিৰ এই সভাত ভাষণ প্ৰদান কৰি নিখিল ভাৰত কংগ্ৰেছৰ সাধাৰণ সম্পাদক জীতেন্দ্ৰ সিং ডাঙৰীয়াই কেন্দ্ৰ আৰু ৰাজ্যত থকা বিজেপি চৰকাৰখনে অসমৰ ৰাইজক হাৰাশাস্তি কৰা বুলি উল্লেখ কৰি ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ গৌৰৱ গগৈৰ নেতৃত্বত সকলোকে একত্ৰিত হ'বলৈ আহ্বান জনায়। নিখিল ভাৰত কংগ্ৰেছৰ আন ৩ জন সাধাৰণ সম্পাদক পৃথিৰাজ সাথে, মনোজ চৌহান, বিকাশ উপাধ্যায়েও নিজৰ ভাষণত অসমৰ ৰাইজক তথা ভোটাৰক সজাগ হ'বলৈ আহ্বান জনায়। ইফালে, মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সত বিদায়ী সভাপতি ভূপেন বৰাই মননশীল বক্তৃতা আগবঢ়ায়। বৰাই কয় যে কংগ্ৰেছৰ সংগঠন শক্তিশালী কৰিবৰ বাবে বিগত চাৰি বছৰত তেওঁ যথেষ্টখিনি কষ্ট কৰিছে আৰু তাৰ সুফল আজিৰ সময়ত সু-সংগঠিত কংগ্ৰেছ দল বুলি উল্লেখ কৰে। উক্ত সভাতে বিভিন্ন জিলাৰ পৰা অহা হাজাৰ হাজাৰ কংগ্ৰেছৰ নেতা-কৰ্মীসকলে গৌৰৱ গগৈক বিপুল সম্বৰ্ধনা জনায়। অসম প্ৰদেশ কংগ্ৰেছৰ তৰফৰ পৰাও নতুন সভাপতিগৰাকীক পৃথকে পৃথকে সম্বৰ্ধনা আগবঢ়োৱা হয়। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ মহিলা কংগ্ৰেছ, যুৱ কংগ্ৰেছ, সেৱা দল, এনএছইউআই, সাংস্কৃতিক বিভাগ, মিডিয়া বিভাগকে আদি কৰি প্ৰতিটো বিভাগে নতুন সভাপতিগৰাকীক ফুলৰ তোৰা, গামোচা, জাপি আদিৰে সম্বৰ্ধনা জনায়। ইয়াৰ পূৰ্বে দলৰ নতুন সভাপতি গৌৰৱ গগৈয়ে পুৱা কামাখ্যা মন্দিৰলৈ যায় আৰু মা কামাখ্যাৰ আশীৰ্বাদ গ্ৰহণ কৰি ৰাজীৱ ভৱনলৈ আহি দলৰ প্ৰাক্তন সভাপতি ভূপেন কুমাৰ বৰাৰ পৰা দায়িত্বভাৰ গ্ৰহণ কৰে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নদীবান্ধৰ বিৰুদ্ধে পুনৰ আৰম্ভ আন্দোলন

গেকোত ছিয়াং নদীত নিৰ্মাণৰ পৰিকল্পনা কৰা ১২৫০০ মেগাৱাট উৎপাদনক্ষম বৃহৎ নদীবান্ধৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ আৰম্ভ হৈছে। অৰুণাচল প্ৰদেশত নিৰ্মাণৰ পৰিকল্পনা থকা ১৩৪ টা বৃহৎ নদীবান্ধৰ কাম বন্ধ কৰাৰ দাবীত মঙলবাৰে ধেমাজিত হাজাৰ হাজাৰ জনতাৰ সমাৱেশ ঘটে। প্ৰতিবাদকাৰীৰ স্পষ্ট বাৰ্তা- চৰকাৰে এই বৃহৎ নদীবান্ধ পৰিকল্পনা বন্ধ কৰিবই লাগিব, নহ'লে পৰিণাম হ'ব বিষম। প্ৰতিবাদকাৰীসকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক এই নদীবান্ধৰ পৰিণতিৰ বিষয়ে সকীয়াই দিয়ে। তেওঁলোকে অসমত মৰুভূমিসদৃশ পৰিৱেশ সৃষ্টি নকৰিবলৈ আৰু পৰিৱেশৰ ভাৰসাম্য ৰক্ষাৰ বাবে দাবী জনায়। ধেমাজিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতিকৃতি দাহ কৰি প্ৰতিবাদকাৰীসকলে নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প ভাঙি দিয়া আৰু অৰুণাচল প্ৰদেশত নিৰ্মাণৰ পৰিকল্পনা থকা ১৩৪ টা নদীবান্ধৰ কাম বন্ধ কৰাৰ দাবী উত্থাপন কৰে। এই প্ৰতিবাদী কাৰ্যসূচীৰ নেতৃত্ব দিয়ে জাতীয় যুৱ বাহিনীয়ে। সংগঠনটোৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ৰুদ্ৰ ভূঞাই কয়, "ধেমাজি, লখিমপুৰ, মাজুলী, ঢকুৱাখনা অসমৰ মানচিত্ৰৰ পৰা নোহোৱা হ'ব। জলবোমা নিৰ্মাণৰ পৰিকল্পনা কৰি আছে এন এইচ পি চিয়ে। অৰুণাচলত ১৩৪ টা বৃহৎ নদীবান্ধ নিৰ্মাণৰ পৰিকল্পনা চলি আছে। বিজেপিয়ে শাসনলৈ অহাৰ আগতে প্ৰতিশ্ৰুতি দিছিল যে তেওঁলোকে বৃহৎ নদীবান্ধৰ বিৰোধিতা কৰিব আৰু বিকল্প বিদ্যুৎ যোগানৰ ব্যৱস্থা কৰিব। কিন্তু এতিয়া লখিমপুৰত কেনেকুৱা পৰিস্থিতিৰ সৃষ্টি হৈছে? হাহাকাৰময় পৰিৱেশৰ সৃষ্টি হৈছে। মাত্ৰ ৪০৫ মেগাৱাটৰ ৰঙানদী জলবিদ্যুৎ প্ৰকল্পৰ বাবে লখিমপুৰবাসীয়ে আজি কান্দিবলগীয়া হৈছে।" ইফালে, লখিমপুৰৰ বানপীড়িত অঞ্চল পৰিদৰ্শন কৰিবলৈ অহা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সমালোচনা কৰি ৰুদ্ৰ ভূঞাই কয়, "মুখ্যমন্ত্ৰীয়ে আহি কৈছে যে তেওঁ মানুহক সহায় কৰিব। আমি এই কথা ভাল পাইছো; কিন্তু তেওঁ কিয় প্ৰতিশ্ৰুতি দিব পৰা নাই যে নদীবান্ধ ভাঙি দিব? যি নদীবান্ধে আমালৈ ধ্বংস মাতি আনিছে, সেই নদীবান্ধ নালাগে বুলি কিয় ক'ব পৰা নাই? গতিকে মুখ্যমন্ত্ৰীক আহ্বান জনাইছো, আপুনি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৈ দিয়ক যে অসমৰ ৰাইজে বৃহৎ নদীবান্ধৰ বিৰোধিতা কৰে। অৰুণাচলত নিৰ্মাণৰ পৰিকল্পনা থকা ১৩৪ টা নদীবান্ধ কোনো কাৰণতে ৰাইজে মানি ল'ব নোৱাৰে। আমি আজি নৰেন্দ্ৰ মোদীৰ প্ৰতিকৃতি দাহ কৰিছো। আমি ক'ব বিচাৰিছো যে গেৰুকামুখত নিৰ্মীয়মান নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পটো ভাঙি দিয়ক। উন্নয়নৰ নামত আমাক ধ্বংসৰ মুখত পেলাব নালাগে।" এই প্ৰতিবাদী কাৰ্যসূচীত ৰুদ্ৰ ভূঞাৰ সৈতে জাতীয় যুৱ বাহিনীৰ জিলা সভাপতি প্ৰাণজিৎ বুঢ়াগোহাঁই, সাধাৰণ সম্পাদকদ্বয় বিকি দেউৰী, হিৰক দত্ত, ৰাইজৰ দলৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক বীৰেন্দ্ৰ গগৈ, জিলা সভাপতি আনন্দৰাম দলে, আৰু সাধাৰণ সম্পাদিকা মঞ্জু গগৈ দত্তই অংশগ্ৰহণ কৰে। লক্ষ্যণীয়ভাৱে, এই প্ৰতিবাদৰ পটভূমিত অৰুণাচল প্ৰদেশৰ ছিয়াং উচ্চ বহুমুখী প্ৰকল্পৰ বিৰুদ্ধে স্থানীয় ছিয়াং ইণ্ডিজেনাছ ফাৰ্মাৰ্ছ ফ'ৰামৰ নেতৃত্বত তীব্ৰ আন্দোলন চলি আছে। এই সংগঠনে কেন্দ্ৰীয় বাহিনী আৰু নিৰ্মাণৰ সঁজুলি প্ৰত্যাহাৰ নকৰালৈকে আন্দোলন চলাই যোৱাৰ প্ৰতিশ্ৰুতি দিছে। সাম্প্ৰতিক তথ্য অনুসৰি, ছিয়াং নদীত নিৰ্মাণৰ পৰিকল্পনা থকা এই প্ৰকল্পই পৰিৱেশৰ ওপৰত মাৰাত্মক প্ৰভাৱ পেলাব পাৰে আৰু স্থানীয় মিশ্মি জনগোষ্ঠীৰ সংস্কৃতিৰ পবিত্ৰ স্থানসমূহ নিঃশেষ কৰিব পাৰে। এই কাৰণে প্ৰতিবাদকাৰীসকলে এই প্ৰকল্পৰ বিৰুদ্ধে কঠোৰ অৱস্থান গ্ৰহণ কৰিছে। এই প্ৰতিবাদৰ সময়তে অৰুণাচল প্ৰদেশৰ মন্ত্ৰী ওজিং টাচিংক এক ৰাজহুৱা কাৰ্যসূচীৰ পৰা প্ৰতিবাদকাৰীসকলে খেদি পঠিয়াইছিল, যাৰ ফলত ৰাজ্যত এই বিষয়ৰ গুৰুত্ব আৰু জনতাৰ ক্ষোভৰ তীব্ৰতা প্ৰকাশ পাইছে। ইফালে, ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগে এই প্ৰতিবাদৰ পৰিপ্ৰেক্ষিতত স্বতঃপ্ৰণোদিতভাৱে এই বিষয়টোক লৈ এক পদক্ষেপ গ্ৰহণ কৰা বুলিও জানিব পৰা গৈছে। তেওঁলোকে উল্লেখ কৰে যে ছিয়াং জিলাত নিৰ্মাণৰ পৰিকল্পনা থকা এই বৃহৎ নদীবান্ধৰ ফলত স্থানীয় জনতাৰ বাস্তুচ্যুতি, জীৱিকাৰ ক্ষতি, আৰু পৰিৱেশৰ ওপৰত বিৰূপ প্ৰভাৱ পৰিব পাৰে। এই বিষয়ত তদন্তৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণৰ কথাও ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগৰ তৰফৰ পৰা ঘোষণা কৰা হৈছে। উল্লেখ্য যে, অৰুণাচল প্ৰদেশ আৰু অসমৰ এই নদীবান্ধ বিৰোধী আন্দোলনৰ ইতিহাস বহু পুৰণি। ২০০০ চনৰ পৰা নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ বিৰুদ্ধে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নেতৃত্বত প্ৰতিবাদ চলি আহিছে। এই প্ৰকল্পৰ বিৰুদ্ধে ২০১১ চনত ধেমাজি আৰু লখিমপুৰত বৃহৎ প্ৰতিবাদী সমাৱেশ অনুষ্ঠিত হৈছিল, য'ত হাজাৰ হাজাৰ লোকে অংশগ্ৰহণ কৰিছিল। তেতিয়াৰ পৰাই এই আন্দোলন অসমৰ বিভিন্ন জিলালৈ বিয়পি পৰিছে। সাম্প্ৰতিক সময়ত ছিয়াং নদীৰ ১২০০০ মেগাৱাটৰ প্ৰকল্পৰ বিৰুদ্ধে প্ৰতিবাদে নতুন মাত্ৰা লাভ কৰিছে। স্থানীয় জনতাৰ মতে, এই বৃহৎ নদীবান্ধসমূহৰ ফলত বানপানীৰ সম্ভাৱনা বৃদ্ধি পাব, কৃষিভূমি ধ্বংস হ'ব, আৰু জনজাতীয় সম্প্ৰদায়ৰ জীৱন-জীৱিকা বিপন্ন হ'ব। ৰঙানদীৰ ৪০৫ মেগাৱাটৰ জলবিদ্যুৎ প্ৰকল্পৰ পৰা উৎপন্ন হোৱা বানপানীৰ পৰিণতি লখিমপুৰ আৰু ধেমাজিৰ জনতাই ইতিমধ্যে ভোগ কৰিছে। এই প্ৰকল্পৰ ফলত নিয়মীয়া বানপানীৰ সমস্যাই স্থানীয় লোকৰ জীৱন দুৰ্বিষহ কৰি তুলিছে। সামাজিক মাধ্যমতো এই বিষয়ে ব্যাপক আলোচনা হৈছে, য'ত বহুতে উল্লেখ কৰিছে যে ১২৫০০ মেগাৱাটৰ ছিয়াং প্ৰকল্প ৰঙানদী প্ৰকল্পতকৈ ৩০ গুণ ডাঙৰ, আৰু ইয়াৰ পৰিণতি অসমৰ বাবে বিধ্বংসী হ'ব পাৰে। এনে পৰিপ্ৰেক্ষিততে ভাৰতৰ ৩০টা মানৱাধিকাৰ সংগঠনে ইতিমধ্যে ছিয়াং নদীৰ এই বৃহৎ নদীবান্ধৰ বিৰুদ্ধে স্থানীয় জনতাৰ দাবীৰ প্ৰতি সমৰ্থন আগবঢ়াইছে। তেওঁলোকে চৰকাৰৰ ওচৰত এই প্ৰকল্পৰ সৈতে জড়িত সামৰিকীকৰণ আৰু নিৰ্মাণ কাৰ্য বন্ধ কৰাৰ দাবী জনাইছে। এই সংগঠনসমূহৰ মতে, এই প্ৰকল্পই কেৱল পৰিৱেশৰ ওপৰত নহয়, স্থানীয় জনজাতীয় সম্প্ৰদায়ৰ সংস্কৃতি আৰু জীৱিকাৰ ওপৰতো গুৰুতৰ প্ৰভাৱ পেলাব। সমান্তৰালভাৱে এই আন্দোলনৰ পৰিপ্ৰেক্ষিতত অসম আৰু অৰুণাচলৰ জনতাৰ মাজত এক নতুন সংহতিৰ সৃষ্টি হৈছে। স্থানীয় সংগঠন, ছাত্ৰ নেতা, আৰু জনজাতীয় সম্প্ৰদায়ৰ প্ৰতিনিধিসকলে একেলগে এই বৃহৎ নদীবান্ধৰ বিৰুদ্ধে সৰব হৈ উঠিছে। তেওঁলোকৰ মতে, উন্নয়নৰ নামত পৰিৱেশ আৰু জনজীৱনৰ ধ্বংস স্বীকাৰযোগ্য নহয়। এই প্ৰতিবাদে অসম আৰু অৰুণাচলৰ জনতাৰ সংকল্প আৰু ঐক্যৰ এক শক্তিশালী প্ৰকাশ ঘটাইছে, আৰু এই আন্দোলনৰ ফলত চৰকাৰৰ নীতিৰ পুনৰ্বিবেচনাৰ সম্ভাৱনা সৃষ্টি হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰথমটো বানতেই নাজল-নাথল কাজিৰঙা

যোৱাৰ ফলত বন্যপ্ৰাণী সংৰক্ষণ আৰু বন বিভাগৰ নিয়মীয়া নিৰীক্ষণত ব্যাঘাত জন্মিছে। ইতিমধ্যে ২৩৩ টা বন শিবিৰৰ ভিতৰত ৫৩ টা বন শিবিৰ সম্পূৰ্ণৰূপে ডুব যোৱাৰ ফলত টহল আৰু অন্যান্য বন ব্যৱস্থাপনা কাম-কাজ বন্ধ হৈ পৰিছে। কঁহৰা আৰু বাগৰি ৰেঞ্জত জলপৃষ্ঠ কিছু হ্ৰাস পোৱাৰ বিপৰীতে বুঢ়াপাহাৰ আৰু আগৰতলি ৰেঞ্জত পৰিস্থিতি অধিক ভয়াৱহ হৈ পৰিছে। বহু জীৱ-জন্তুৱে আশ্ৰয় বিচাৰি ওখ স্থানলৈ ঢাপলি মেলিবলৈ বাধ্য হৈছে।
এই পৰিস্থিতিত বিশ্বনাথ বন বিভাগৰ অধীনস্থ এলেকাত তিনিটা হৰিণ উদ্ধাৰ কৰা হয় যদিও পানীৰ ফলত দুটা হৰিণৰ মৃত্যু ঘটে। ইফালে, হালধিবাৰী, মালানীৰ দৰে অঞ্চলত জলপৃষ্ঠ বৃদ্ধি পোৱাৰ লগে লগে বন্যপ্ৰাণী আশ্ৰয় বিচাৰি কাৰ্বি পাহাৰৰ ফালে ঢাপলি মেলিছে। অৱশ্যে কাৰ্বি পাহাৰত এতিয়ালৈকে কোনো হাতী বা আন বৃহৎ জীৱ-জন্তুৱে আশ্ৰয় লোৱা নাই বুলি কাজিৰঙাৰ সংমণ্ডল বন বিষয়া অৰুণ বিগনেশে জানিবলৈ দিয়ে। তেওঁৰ মতে, উদ্যানখনৰ হাতীক এতিয়াৰ বাবে সংৰক্ষিত হাইলেণ্ডত ৰখা হৈছে। পৰিস্থিতিৰ অৱনতি ঘটিলে সিঁহতক কাৰ্বি পাহাৰলৈ স্থানান্তৰ কৰা হ'ব। এতিয়া প্ৰতিটো বন শিবিৰত স্থানীয় নাও মোতায়েন কৰা হৈছে যাতে শ্ৰমিকসকলে ইফালে সিফালে টহল দি পৰিস্থিতিৰ বুজ ল'ব পাৰে আৰু কাম-কাজ বজাই ৰাখিব পাৰে। এই সময়ছোৱাত বন্যপ্ৰাণী চোৰাং চিকাৰৰ ধাৰা বৃদ্ধি পোৱাত বন বিভাগ হাই এলাৰ্টত আছে। এই জটিল সময়ত বন্যপ্ৰাণীৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ নিশাৰ চোৰাংচোৱাগিৰিৰ বাবে থাৰ্মেল ড্ৰোন কেমেৰা ব্যৱহাৰ কৰা হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বহিঃৰাজ্যত অসমৰ যুৱতীৰে দেহ

পুত্ৰ শুভম গুপ্তাই মহিলাৰ সৈতে অনৈতিক কাৰ্য সংঘটিত কৰাৰ ১৩০ টা অশ্লীল ভিডিঅ' ভাইৰেল হোৱাত দেশজুৰি চাঞ্চল্যৰ সৃষ্টি হৈছে। মধ্য প্ৰদেশৰ বিজেপি নেতা মনোহৰলাল ধাক্কাৰে ৰাষ্ট্ৰীয় ঘাইপথত যুৱতীৰ সৈতে সম্ভোগ কৰাৰ ভিডিঅ' ভাইৰেল হোৱাত দেশজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। তাৰ মাজতে এইবাৰ অসমৰ যুৱতীক বন্দী কৰি বিজেপি নেতাই ছেক্স ৰেকেট চলাই থকাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। সংবাদ প্ৰতিষ্ঠান 'আজ টক'ৰ মধ্য প্ৰদেশ শাখা 'এম পি টক'ৰ ৱেবছাইটত এই ভয়ংকৰ খবৰ প্ৰকাশ পাইছে। বিগত দুবছৰ ধৰি অসমৰ যুৱতীক বন্দী কৰি দেহ ব্যৱসায় কৰিবলৈ বাধ্য কৰাইছিল বুলি জানিব পৰা গৈছে। মধ্য প্ৰদেশৰ জব্বলপুৰত এই ঘটনা সংঘটিত হৈছে। জব্বলপুৰত বিজেপি নেতা অতুল চৌৰাসিয়াই সহযোগীৰ সৈতে চলাই আহিছিল দেহ ব্যৱসায়ৰ ধান্দা। আৰক্ষীয়ে অভিযান চলাই বিজেপি নেতাৰ এই ক'লা ব্যৱসায় পোহৰলৈ আনিবলৈ সক্ষম হৈছে। ইতিমধ্যে বিজেপি নেতা অতুল চৌৰাসিয়া গ্ৰেপ্তাৰ হৈছে। অভিযোগ অনুসৰি বিজেপি নেতা অতুল চৌৰাসিয়াই তেওঁৰ সহযোগীৰ সৈতে মিলি বহু যুৱতীক জোৰ কৰি দেহ ব্যৱসায়ত জড়িত কৰাইছিল। অতুল চৌৰাসিয়াৰ বিৰুদ্ধে উত্থাপিত অভিযোগ মতে অসমৰ এগৰাকী যুৱতীক বিগত দুবছৰ ধৰি বন্দী কৰি ৰাখিছিল। অসমৰ যুৱতীক বলপূৰ্বক দেহ ব্যৱসায় কৰিবলৈ বাধ্য কৰাইছিল। যুৱতীগৰাকীয়ে কোনোমতে ক'লা সাম্ৰাজ্যৰ পৰা মুক্ত হৈ আৰক্ষীৰ ওচৰত সমস্ত ঘটনা উন্মোচিত কৰিছে। যুৱতীগৰাকীয়ে আৰক্ষীৰ ওচৰত স্পষ্টকৈ কৈছে যে অতুল চৌৰাসিয়াই হোটেলৰ পৰা দেহ ব্যৱসায় চলাইছিল। ইয়াৰ পৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তলৈ ছোৱালী প্ৰেৰণ কৰিছিল। পীড়িত যুৱতীগৰাকীয়ে দাবী কৰিছে যে হোটেলৰ পৰা বহু দিন ধৰি এই ধৰণৰ অবৈধ ব্যৱসায় চলি আছে। ছোৱালীক বলপূৰ্বক দেহ ব্যৱসায়ৰ দৰে ঘৃণনীয় কাৰ্যত নিয়োগ কৰাইছিল। বৰ্তমান আৰক্ষীয়ে বিজেপি নেতা অতুল চৌৰাসিয়াৰ সহযোগীক বিচাৰি অভিযান চলোৱা বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে এই ঘটনাৰ পূৰ্বে মধ্য প্ৰদেশৰ বিজেপি নেতা মনোহৰ লালৰ ৰাষ্ট্ৰীয় ঘাইপথৰ অশ্লীল ভিডিঅ' কাণ্ডই বিজেপিক বিবুধিত পেলাইছিল। এই কাণ্ডই বিজেপিক বিবুধিত যে পেলাব সেয়া খাটাং।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আজাদৰ বাসগৃহত চলিল বুলড'জাৰ

আজাদ চৌধুৰীৰ ব্যৱসায় প্ৰতিষ্ঠানত যোৰহাট প্ৰশাসনে বুলড'জাৰ চলায়। চৰকাৰী ভূমি লীজত লৈ নিৰ্মাণ কৰা ব্যৱসায় প্ৰতিষ্ঠান আজি ভাঙি পেলায় প্ৰশাসনে। যোৰহাটৰ বিতৰ্কিত আজাদ চৌধুৰীৰ প্ৰতিষ্ঠানত প্ৰশাসনে বুলড'জাৰ চলায়। অভিযোগ মতে, যোৰহাট পৌৰসভাৰ ভুৱা এনঅ'চি লৈ পৌৰসভাৰ মাটি দখল কৰিছিল বিতৰ্কিত আজাদ চৌধুৰীয়ে। যোৰহাট পৌৰসভাৰ আজি অনুষ্ঠিত সাধাৰণ সভাত লোৱা সিদ্ধান্তমৰ্মে কবৰস্থান ৰোডত চৰকাৰী ভূমিত থকা আজাদ চৌধুৰীৰ গৃহ উচ্ছেদ কৰা হয়। আজাদ চৌধুৰীৰ লীজত থকা আবাস ভাঙি পেলোৱা হয়। আজি পুৱাৰে পৰা কবৰস্থান ৰোডত বৃহৎ আৰক্ষী বাহিনী মোতায়েন কৰা হৈছিল। উপস্থিত হৈছিল স্থানীয় কাৰ্যবাহী দণ্ডাধীশ। তাৰ পিছতে জেচিবিৰে সকলো ভাঙি পেলোৱা হয়। প্ৰথম অৱস্থাত একাংশ লোকে বাধা দিছিল যদিও আৰক্ষীয়ে সকলো বাধা আঁতৰাই উচ্ছেদ অভিযান চলায়। প্ৰথম অৱস্থাত উত্তেজনাই বিৰাজ কৰিছিল। উচ্ছেদৰ সময়ত চৌধুৰী দণ্ডাধীশৰ সৈতে বাকযুদ্ধত লিপ্ত হৈছিল। সেই সময়তে একাংশ লোকে চৌধুৰীৰ সা-সম্পত্তি বাহিৰলৈ উলিয়াই আনে। বীৰ লাচিত সেনা অসমে চৌধুৰীক বাংলাদেশী আখ্যা দি লীজত লোৱা মাটি দখলমুক্ত কৰিবলৈ ধাৰাবাহিক প্ৰতিবাদ সাব্যস্ত কৰিছিল। বীৰ লাচিত সেনাৰ মুখ্য সাংগঠনিক সম্পাদক শৃংখল চলিহাই যোৰহাটৰ ঢাকৈয়াবস্তি নামৰ ঠাইত বাংলাদেশী থকাৰ কথা উল্লেখ কৰাত আজাদ চৌধুৰী নামৰ এজন লোকে শৃংখলক ফোন কৰিছিল। আজাদ চৌধুৰীয়ে ফোন কৰাৰ পিছতে বীৰ লাচিত সেনাই বাংলাদেশীয়ে ভাবুকি দিয়া বুলি অভিযোগ আনি প্ৰতিবাদ তীব্ৰ কৰি তোলে। ইতিমধ্য ২৭ মে'ত আজাদ চৌধুৰীৰ বিৰুদ্ধে লাচিত সেনাই প্ৰতিবাদ সাব্যস্ত কৰিছিল। ৩০ মে'ত দ্বিতীয়বাৰ সংগঠনটোৱে প্ৰতিবাদ সাব্যস্ত কৰি আজাদ চৌধুৰীক তৎক্ষণাৎ গ্ৰেপ্তাৰ আৰু লীজৰ মাটি-ঘৰ উচ্ছেদ কৰাৰ দাবী জনাইছিল। তেওঁলোকৰ মতে, আজাদ চৌধুৰীয়ে ৰাজ্যৰ স্বাৰ্থৰ বিপৰীত কাৰ্যকলাপত লিপ্ত হৈ আছে। কেইবাশ বীৰ লাচিত সেনাৰ সৈনিকৰ প্ৰতিবাদত উত্তাল হয় যোৰহাট নগৰ। লাচিত সেনাই অভিযোগ উত্থাপন কৰি কয় যে যোৰহাটত অবৈধ বাংলাদেশীয়ে সুবিধা পাইছে। লীজত লাভ কৰিছে চৰকাৰী ভূমি। ফলত বীৰ লাচিত সেনাই প্ৰতিবাদ কৰিছে। বাংলাদেশীৰ পৰা চৰকাৰী সুবিধা কৰ্তনৰ লগতে বিতাড়নৰ দাবী জনায়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰাকৰ বানৰ খবৰ ল'বলৈ উপস্থিত হ'ল

সমগ্ৰ উপত্যকাৰ বিভিন্ন প্ৰান্তত সৃষ্টি হোৱা দুৰ্যোগপূৰ্ণ পৰিস্থিতিত ব্যাহত হৈ পৰিছে সাধাৰণ জীৱন। বৰাক নৈৰ বাঢ়নী পানীয়ে ইতিমধ্যে বহু অঞ্চল প্লাৱিত কৰাত বিপন্ন হৈ পৰিছে অঞ্চলবাসীৰ জীৱন আৰু জীৱিকা। আনহাতে, একাধিক ঠাইত ভূমিস্খলনৰ ফলত স্থবিৰ হৈ পৰিছে যাতায়াত ব্যৱস্থাও। উপত্যকাটোত অব্যাহত থকা এই সংকটজনক পৰিস্থিতিৰ মাজতে আজি বানাক্ৰান্ত এলেকা পৰিদৰ্শন কৰে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। শিলচৰত পুৱা ১০ বজাত উপস্থিত হৈ মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰথমে চৰকাৰী বালক বিদ্যালয়ৰ আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰে। তাৰ পিছতেই বানে ক্ষতিগ্ৰস্ত ৰাইজৰ দুখ-কষ্ট, অভাৱ-অভিযোগৰ বুজ লয়। তেওঁৰ এই ভ্ৰমণকালত মুখ্যমন্ত্ৰীক সংগ দিয়ে মন্ত্ৰী পীযূষ হাজৰিকা, কৌশিক ৰায় আৰু কৃষ্ণেন্দু পালে। সমগ্ৰ দিনটোত মুখ্যমন্ত্ৰীয়ে শিলচৰ চহৰৰ ভিতৰত থকা পাঁচটাকৈ আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰাৰ পিছত সন্ধিয়া পুনৰ গুৱাহাটীলৈ উভতি আহে। ইফালে, শিলচৰ-শ্ৰীভূমি সংযোগী ৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ বৰাক নৈৰ বাঢ়নী পানীত ডুব যোৱাত সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে যাতায়াত ব্যৱস্থা। শালচাপৰা অঞ্চলৰ ওচৰত পানী ৰাস্তাৰ ওপৰেৰে বাগৰি যোৱাত পথচাৰী আৰু যান-বাহনৰ চলাচলত জটিলতাৰ সৃষ্টি হৈছে। এই অতি গুৰুত্বপূৰ্ণ পথটো বন্ধ হোৱাৰ লগে লগে বিচ্ছিন্ন হৈ পৰিছে শিলচৰ আৰু শ্ৰীভূমিৰ মাজৰ যোগাযোগ ব্যৱস্থা। অনেক যান-বাহনে বিপদসংকুলভাৱে পানীৰ মাজেৰে চলাচল অব্যাহত ৰাখিছে যদিও যিকোনো সময়তে দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা কৰা হৈছে। বানে ক্ষতিসাধন কৰা অঞ্চলসমূহৰ ৰাইজ বৰ্তমান আশ্ৰয় শিবিৰত থিতাপি লৈছে যদিও তেওঁলোকেও প্ৰয়োজনীয় সা-সুবিধা লাভ নকৰাৰ অভিযোগ উত্থাপন কৰিছে। আনকি বানত ঘৰ-দুৱাৰ সকলো হেৰুৱাই এতিয়া নিৰাপদ স্থানত আশ্ৰয় গ্ৰহণ কৰি থকা বানাক্ৰান্তসকলক চৰকাৰৰ ফালৰ পৰা এখন তিৰ্পাল কিম্বা পিন্ধিবলৈ এটুকুৰা কাপোৰ নিদিয়াক লৈও আক্ষেপ ব্যক্ত কৰিছে অনেকে। ইফালে, এই ভয়ংকৰ বান পৰিস্থিতিৰ মাজতে বৰাক উপত্যকাৰ বিভিন্ন প্ৰান্তত ভয়ংকৰ ৰূপ ধাৰণ কৰিছে ভূমিস্খলনে। মঙলবাৰে পুৱা শিলচৰ-ডিমা হাছাও সীমান্তৱৰ্তী বান্দৰখলত ভূমিস্খলনৰ ফলত সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে শিলচৰ-হাফলং ৰাষ্ট্ৰীয় ঘাইপথ। উল্লেখযোগ্য যে এই পথছোৱা বৰ্তমান শিলচৰৰ বাবে গুৱাহাটী অভিমুখে যাত্ৰা কৰাৰ একমাত্ৰ বিকল্প আছিল। কিন্তু এই পথো বন্ধ হোৱাত গুৱাহাটীৰ লগত শিলচৰৰ সংযোগ সম্পূৰ্ণ বিচ্ছিন্ন হৈ পৰিছে। আগৰ পৰা বন্ধ হৈ থকা শিলচৰ-মেঘালয় পথৰ পাছত এই পথটোও বন্ধ হোৱাৰ খবৰে অঞ্চলটোক অধিক সংকটৰ সন্মুখীন কৰিছে। এই ভয়ংকৰ বান পৰিস্থিতিত এতিয়া প্ৰভাৱিত হৈছে অঞ্চলটোৰ শিক্ষা খণ্ডও। এই মুহূৰ্তত ৰাজ্যৰ ২২খন জিলাৰ ১,২৫০ খন বুৰ গৈ আছে বানত। ইয়াৰ মাজতে হাইলাকান্দি জিলা প্ৰশাসনে বান পৰিস্থিতিৰ বাবে অহা ৫ জুনলৈ সকলো বিদ্যালয় বন্ধ ঘোষণা কৰিছে। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সুৰক্ষা বিবেচনা কৰি এই সিদ্ধান্ত গ্ৰহণ কৰা বুলি জানিব পৰা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পুনৰবাৰ এবছুৰ সভাপতি দ্বীপেন বড়ো

চমুকৈ এবছুৰ সভাপতি হিচাপে নিৰ্বাচিত হ'ল দ্বীপেন বড়ো। কোকৰাঝাৰৰ বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ জৌহৌলাও নীলেশ্বৰ ব্ৰহ্ম প্ৰেক্ষাগৃহত আজি অনুষ্ঠিত হোৱা এবছুৰ কেন্দ্ৰীয় প্ৰতিনিধি সভাৰ যোগেদি দ্বীপেন বড়োক প্ৰতিনিধি সভাই সৰ্বসন্মতি ক্ৰমে সভাপতি হিচাপে নিৰ্বাচিত কৰে । এবছুৰ সভাপতি হিচাপে দ্বীপেন বড়োৰ এয়া হ'ল তৃতীয়টো কাৰ্যকাল । আনহাতে এবছুৰ সাধাৰণ সম্পাদক পদত পুণৰাই খনীন্দ্ৰ বসুমতাৰীকে পৰবৰ্তী কাৰ্যকালৰ বাবে নিৰ্বাচিত কৰে প্ৰতিনিধি সভাই। তদুপৰি উপ সভাপতি পদত খৌৰৌমদাও ওৱাৰী আৰু উমেশ দৈমাৰী, সহ সাধাৰণ সম্পাদক পদত দীনেশ ব্ৰহ্মাকে আজি ২৭ জনীয়া এবছুৰ পূৰ্ণাঙ্গ সমিতিখন গঠন কৰা হয়। আজিৰ প্ৰতিনিধি সভাত সকলো ৰাজ্যিক, জিলা, আঞ্চলিক সমিতি আৰু সংযুক্ত ইউনিটসমূহে অংশগ্ৰহণ কৰে আৰু আগন্তুক দুইবছৰীয়া কাৰ্যকালৰ বাবে এবছুৰ পূৰ্ণাঙ্গ কমিটি গঠন কৰে। ইপিনে প্ৰতিনিধি সভাত তৃতীয়বাৰৰ বাবে এবছুৰ সভাপতি হিচাপে নিৰ্বাচিত হৈ দ্বীপেন বড়োৱে সংবাদমাধ্যমৰ আগত আৱেগত কান্দি উঠে। কেমেৰাৰ সন্মুখত কান্দি কান্দি দ্বীপেন বড়োৱে কয় যে নতুন প্ৰজন্মক দায়িত্ব অৰ্পন কৰিবলৈ প্ৰতিনিধি সভাত অনুৰোধ কৰিছিলো যদিও পুণৰাই মোৰ গাতে সভাপতিৰ দায়িত্ব দিলে। মনৰ কথা মনতেই থাকি গল বুলি উল্লেখ কৰি দ্বীপেন বড়োৱে কয় যে শুভকাংক্ষী সকলে যেতিয়া মোক সোধে আপুনি দায়িত্ব এৰিব বিচৰা নাই নে সংগঠনে দায়িত্বৰ পৰা ৰেহাই দিয়া নাই , তেতিয়াই বৰ দুখ লাগে বুলি কান্দি উঠি দ্বীপেন বড়োৱে কয় যে এই প্ৰশ্নটোৰ উত্তৰ দিবলৈ কষ্ট হয়। সভাপতি হিচাপে তেওঁ কিছু চৰ্ত আৰু সীমাবদ্ধতা ৰাখিছে বুলি মন্তব্য কৰি দ্বীপেন বড়োৱে জাতিক আগস্থান দি জাতি সদায় আগত , জাতিৰ হকে কাম কৰি যাম বুলি মন্তব্য কৰিছে। জাতিতকৈ ৰাজনীতি ডাঙৰ নহয় বুলি মন্তব্য কৰি জাতিয়তাবাদক আগুৱাই নি বডোফাৰ সপোন বাস্তৱত ৰূপায়ন কৰিব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে দ্বীপেন বড়োৱে । জাতিৰ স্বাৰ্থত , জাতিৰ হকে কাম কৰাৰ এশ শতাংশ প্ৰতিশ্ৰুতি প্ৰদান কৰি দ্বীপেন বড়োৱে বিটিআৰ চুক্তিৰ এশ শতাংশ ৰূপায়ন, বড়ো মাধ্যমৰ উন্নয়ন , গুণগত সেৱা, কাৰিকৰী আৰু বিজ্ঞানসন্মত প্ৰক্ৰিয়াৰে নিবনুৱা যুৱক যুৱতীসকল আগবঢ়াই নি সংস্থাপনৰ বাট মুকলি কৰাৰ বাবে কাম কৰাৰ পোষকতা কৰিছে। তদুপৰি এবছুক অধিক শক্তিশালী ৰূপত গঢ় দিয়া হ'ব বুলি মন্তব্য কৰি দ্বীপেন বড়োৱে কয় যে এতিয়াৰে পৰা প্ৰতিজন এবছু কৰ্মীয়ে প্ৰশিক্ষণ লব লাগিব । বডোফা কেম্প নামেৰে প্ৰশিক্ষণ শিবিৰ মুকলি কৰা হ'ব য'ত এবছুৰ কৰ্মীসকলক তিনিদিনীয়া , পাঁচদিনীয়াকৈ স্বাস্থ্য , শিক্ষা , আচৰণ , জ্ঞান আদিৰ ওপৰত প্ৰশিক্ষণ দিয়া হ'ব। উল্লেখ্য যে এবছুৰ সভাপতি পদৰ পৰা দ্বীপেন বড়োৱে বিদায় লব বুলি ব্যাপক চৰ্চা হৈছিল আৰু এইসন্দৰ্ভত বহু মুখচৰক বাতৰিও পৰিবেশন হৈছিল যদিও দ্বীপেন বড়োৰ ওপৰত আস্থা ৰাখি পুণৰাই প্ৰতিনিধি সভাই এবছুৰ সভাপতি হিচাপে দ্বীপেন বড়োকে নিৰ্বাচিত কৰে। আজিৰ প্ৰতিনিধি সভাই সভাপতি ,সাধাৰণ সম্পাদক , উপ সভাপতি , সহ সম্পাদকৰ পদত কোনো ধৰণৰ সালসলনি নকৰিলে যদিও আন পদত কেইগৰাকীমান নতুন মুখ সন্নিবিষ্ট কৰিছে। প্ৰণিধানযোগ্য যে কোকৰাঝাৰ জিলাৰ দোতমাৰ বডোফা পথাৰত যোৱা ১৩ মাৰ্চৰ পৰা ১৬ মাৰ্চলৈ অনুষ্ঠিত হোৱা এবছুৰ ৫৭তম কেন্দ্ৰীয় অধিবেশনত গৃহমন্ত্ৰীৰ আগমনৰ ব্যস্ততাক লৈ প্ৰতিনিধি সভা স্থগিত হৈছিল । ইয়াৰ পিছত স্থগিত প্ৰতিনিধি সভা পুণৰাই অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হৈছিল আৰু তাৰিখ ঠিক কৰা হৈছিল যদিওবা পুণৰাই দুবাৰৰ বাবে প্ৰতিনিধি সভা স্থগিত হয় । অৱশেষত আজি বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ জৌহৌলাও নীলেশ্বৰ ব্ৰহ্ম প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা এবছুৰ কেন্দ্ৰীয় প্ৰতিনিধি সভাৰ যোগেদি দ্বীপেন বড়োক সভাপতি আৰু খনীন্দ্ৰ বসুমতাৰীক সাধাৰণ সম্পাদক হিচাপে লৈ আগন্তুক দুবছৰীয়া কাৰ্যকালৰ বাবে ২৭ জনীয়া কমিটি গঠন কৰে । আজিৰ প্ৰতিনিধি সভাৰ পূৰ্বে পতাকা উত্তোলন কাৰ্যসূচী ৰূপায়ন কৰা হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উচ্ছেদিতৰ প্ৰশ্নত বিবুধিত জয়ন্ত মল্ল

জবাবদিহি কৰিলে শিলসাঁকোৰ উচ্ছেদিত একাংশ মহিলাই। গুৱাহাটী উন্নয়ন দপ্তৰৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই শিলসাঁকোত ৰাইজৰ ক্ষোভৰ সন্মুখীন হয়। একাংশ মহিলাই মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ কনভয় ৰখাই তীক্ষ্ন প্ৰশ্নবাণ কৰিবলৈ ধৰাত মন্ত্ৰীগৰাকী বিবুধিত পৰে। চৰকাৰে উচ্ছেদৰ নামত ঘৰ-দুৱাৰ ভাঙি পেলোৱা একাংশ মহিলাই গুৱাহাটীত মাটি দি সংস্থাপিত কৰাৰ দাবী উত্থাপন কৰে। মহিলাসকলে যিমানখিনি মানুহক উচ্ছেদ কৰা হৈছে সকলো লোকক ক্ষতিপূৰণ দিয়াৰ দাবী উত্থাপন কৰে। অট্টালিকা যাৰ ভঙা গৈছে তেনে পৰিয়ালক ২৫ লাখ, আসাম টাইপৰ ঘৰ ভঙা যোৱাসকলক ১৫ লাখ আৰু ছালি ভঙা যোৱাসকলক ৫ লাখকৈ টকা দিয়াৰ দাবী জনায়। মহিলাসকলৰ প্ৰশ্নবাণত বিব্ৰত হয় জয়ন্তমল্ল বৰুৱা। উল্লেখ্য, আজি পুনৰ শিলসাঁকোত উচ্ছেদ অভিযান চলে। আজি পুৱাই মন্ত্ৰীগৰাকীৰ উপস্থিতিত ভাৰত চৰকাৰৰ সমবায় পৰিচালনা প্ৰতিষ্ঠানটো উচ্ছেদ কৰা হয়। এই প্ৰতিষ্ঠানটো নিৰ্মাণ কৰা হ'ব সোণাপুৰত। আজি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰা মতে, ৰিহাবাৰীত অস্থায়ী কাৰ্যালয় হ'ব। স্থানীয় কাৰ্যালয় নিৰ্মাণৰ বাবে ১০ কোটি টকা অনুদান ইতিমধ্যে সমবায় পৰিচালনা প্ৰতিষ্ঠানক আদায় দিয়া হৈছে। জিঞ্জাৰ হোটেল, টেনিছ কোৰ্ট, আইএইচএম উচ্ছেদ কৰা হ'ব। উচ্ছেদ চলি থকাৰ সময়তে মন্ত্ৰী বৰুৱাক অন কেমেৰাত উচ্ছেদিত মহিলাই জবাবদিহি কৰে। কিন্তু সকলোকে আচৰিত কৰি কটকটীয়া নিৰাপত্তাৰ মাজত উচ্ছেদ অভিযান চলি থকাৰ সময়তে একাংশ মহিলাই মন্ত্ৰীগৰাকীৰ গাড়ী ঘেৰি ধৰি জবাবদিহি কৰে। উচ্ছেদিত মহিলাসকলে কয় যে কেইটামান টকাৰে কাম নহয়। আমাক সংস্থাপন লাগে। মন্ত্ৰীগৰাকীয়ে উচ্ছেদিতৰ প্ৰতিবাদ ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত বুলি কয়। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে মই দুগৰাকীক ৫ লাখকৈ টকা দিছোঁ। তেতিয়া মহিলাসকলে কয় যে সামান্য টকাকেইটাৰে সমস্যা সমাধান নহয়। আমাক সংস্থাপনৰ ব্যৱস্থা কৰক। মঙলবাৰে শিলসাঁকোত উচ্ছেদিত মহিলাৰ সন্মুখত জৱাবদিহি হয় মন্ত্ৰী জয়ন্তমল্ল বৰুৱা। ৰাস্তাৰে গৈ থকা অৱস্থাত গাড়ী ৰখাই মন্ত্ৰীগৰাকীক প্ৰশ্ন কৰে মহিলাকেইগৰাকীয়ে। মহিলাকেইগৰাকীয়ে উচ্ছেদৰ ক্ষতিপূৰণ বিচাৰি মন্ত্ৰীগৰাকীৰ ওচৰত দাবী উত্থাপন কৰে। ইফালে মন্ত্ৰীগৰাকীয়ে কয় যে উচ্ছেদিত সকলোকে ইতিমধ্যে ৫ লাখকৈ ক্ষতিপূৰণ দিয়া হৈছে। তেতিয়া মহিলাকেইগৰাকীয়ে ক্ষতিপূৰণ নাই পোৱা বুলি দাবী কৰে। এগৰাকী মহিলাই কয়, ৫ লাখ টকাৰে আমি কি কৰিম, ৫ লাখত গুৱাহাটীত মাটি কিনিবলৈ পায় নেকি? ইয়াৰ উত্তৰত মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই কয় যে আপোনালোকৰ লগত পূৰ্বতে হোৱা আলোচনা অনুসৰি সকলোকে ৫ লাখকৈ দিয়া হৈছে। কিন্তু তাত থকা মহিলাসকলে জয়ন্তমল্লৰ মিথ্যাচাৰ উদঙাই কোনোধৰণৰ ক্ষতিপূৰণ লাভ কৰা নাই বুলি উত্তৰ দিয়ে। ইয়াৰ পিছতে কোনোধৰণৰ উত্তৰ দিব নোৱাৰি গাড়ীৰ গ্লাছ বন্ধ কৰি সেই স্থান ত্যাগ কৰিবলৈ বাধ্য হয় মন্ত্ৰীগৰাকী। উচিত ক্ষতিপূৰণ বিচৰা মহিলাসকলক উদ্দেশ্যি মন্ত্ৰী বৰুৱাই কয় যে আলোচনামৰ্মে আপোনালোকক ৫ লাখকৈ টকা দিয়া হৈছে। তেতিয়া মহিলাসকলক অপমান কৰি মন্ত্ৰীগৰাকীয়ে কয় যে আপোনালোকৰ সৈতে কথা পাতি লাভ নাই। আপোনালোক উদ্দেশ্যপ্ৰণোদিত মানুহ। তেনেকৈ কৈ মন্ত্ৰীগৰাকীয়ে কেনেবাকৈ তাৰ পৰা আঁতৰি যায়। মহিলাসকলে সংবাদ মাধ্যমৰ সন্মুখত কয় যে আমি কিহৰ ৰাজনীতি কৰিম। যাৰ ঘৰ ভঙা যায় সেই মানুহেহে জানে। ঘৰ ভঙাৰ পিছত ৰাজনীতি কৰিম নেকি? পুঁজিপতিৰ ঘৰ-প্ৰতিষ্ঠান থাকিব পাৰে। কিন্তু শিলসাঁকোত থলুৱা মানুহ থাকিব নোৱাৰে। লগতে জয়ন্তমল্ল বৰুৱাই বোন্দাজান বন্ধ কৰি পথ নিৰ্মাণ কৰা বুলি অনা অভিযোগৰ উত্তৰ দিয়ে যে বোন্দাজানক সুৰক্ষিত কৰিবলৈহে পথ নিৰ্মাণ কৰা হৈছিল। পথটোৰ পৰা ৰাইজৰ সহায় হৈছে বুলিও কয় মন্ত্ৰীগৰাকীয়ে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# ৰাজ্যসভাৰ এখন আসন অগপক এৰি দিলে বিজেপিয়ে

**ই-সংবাদ, ৩ জুনঃ** আজি বাজ্যিক বিজেপিৰ কাৰ্যালয়ত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ উপস্থিতিত এখন বিশেষ বৈঠক অনুষ্ঠিত হয়। বৈঠকত ৰাজ্যসভা আৰু বিটিচি নিৰ্বাচনক লৈ আলোচনা কৰা হয়। আলোচনাৰ অন্তত বিজেপিয়ে ৰাজ্যসভাত দুখন আসনৰ ভিতৰত এখন আসন অগপক এৰি দিব বুলি উল্লেখ কৰে। আনখন আসনৰ বাবে ১৩ গৰাকীয়ে আবেদন কৰিছে। প্ৰাক্তন সাংসদ কুইন ওজা, লোকসভাৰ প্ৰাক্তন সাংসদ ডাঃ ৰাজদীপ ৰয়, ৰাজ্যসভাৰ সাংসদ মিছন ৰঞ্জন দাস, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজেন গোহাঁই, ড০ সুনিতা চাংকাকতি, ড০ প্ৰদীপ ঠাকুৰীয়া, ড০ সঞ্জীৱ গোস্বামী, ড০ দয়ানন্দ বৰগোহাঁই, ড০ বিজয় কুমাৰ গুপ্তা, মৃদুলা বৰকাকতি, ভাস্কৰ দাহাল, কানাদ পূৰ্ণকায়স্থ, বিশ্বৰূপ ভট্টাচাৰ্য্যই বিজেপিৰ পৰা প্ৰাৰ্থিত্ব দাবী কৰিছে।




## ৱেবছাইট ডিজাইন

যিকোনো ধৰণৰ ৱেবছাইট ডিজাইনিং, ৱেবছাইট আপগ্ৰেড কৰা আদিৰ বাবে যোগাযোগ কৰকঃ 98644-21357।

## ছ'চিয়েল মিডিয়া

ৰাজনৈতিক দল, ব্যৱসায়িক প্ৰতিষ্ঠান আদিৰ ছচিয়েল মিডিয়াৰ যিকোনো কামৰ বাবে যোগাযোগ কৰকঃ দ্য গ্ৰোথ গাইড, ফোনঃ 7002342103

বিজ্ঞাপন বুক কৰক
+৯১ ৯১০১৬-৬০১৮৫




# দাৰে ঘপিয়াই হত্যা কৰা হৈছিল ৰাজা ৰঘুবংশীক

**শ্বিলং, ৩ জুনঃ** দাৰে ঘপিয়াই হত্যা কৰা হৈছিল মেঘালয়লৈ মধুচন্দ্ৰিকা যাপন কৰিবলৈ অহা ইন্দোৰৰ পৰ্যটক ৰাজা ৰঘুবংশীক। ৮ দিন ধৰি নিখোজ হৈ থকাৰ পিছত ৰাজাৰ মৃতদেহ সোমবাৰে উদ্ধাৰ কৰা হৈছিল ছোহৰাৰ দ খাৰৈত। ইয়াৰ পিছতে পৰ্যটকজনক হত্যা কৰা হৈছিল বুলি নিশ্চিত কৰিছে ইষ্ট খাচী হিলছ জিলাৰ আৰক্ষী অধীক্ষক বিবেক ছিয়েমে। মৰণোত্তৰ পৰীক্ষাৰ অন্তত তেওঁ এয়া হত্যাকাণ্ড আছিল বুলি নিশ্চিত কৰিছে। অৱশ্যে এতিয়াও সন্ধানহীন হৈ আছে ৰাজা ৰঘুবংশীৰ পত্নী সোণম। উল্লেখ্য যে সোমবাৰে ৰাজাৰ অৰ্ধগলিত মৃতদেহ উদ্ধাৰ কৰাৰ পিছতে এয়া এক হত্যাকাণ্ড বুলি দাবী কৰি চিবিআই তদন্তৰ দাবী জনাইছিল পৰিয়ালে। আজি আৰক্ষী অধীক্ষক বিবেক ছিয়েমে জনোৱা মতে, ৮ দিনীয়া তালাচী অভিযানৰ অন্তত সোমবাৰে ৰাজাৰ মৃতদেহ উদ্ধাৰ কৰা হয়। আৰক্ষীৰ ড্ৰ'নে ৱেইছাউডং পাৰ্কিং লটৰ তলৰ দ খাৰৈত মৃতদেহটো প্ৰত্যক্ষ কৰে। এছডিআৰএফ, এছঅ'টি, আৰু ৱেষ্ট জয়ন্তীয়া হিলছ এডভেঞ্চাৰ এণ্ড মাউণ্টেইনিং ক্লাবকে ধৰি একাধিক সংগঠনৰ যৌথ অভিযানত উদ্ধাৰ কৰে মৃতদেহটো। ঠেক আৰু দুৰ্গম ভূখণ্ডৰ বাবে উদ্ধাৰ অভিযান অত্যন্ত কঠিন হৈ পৰিছিল। সোঁহাতত থকা টেটুৰ জৰিয়তে ৰাজাৰ পৰিচয় নিশ্চিত কৰিছিল পৰিয়ালে। ইফালে, আৰক্ষীৰ তদন্তত হত্যাকাণ্ড নিশ্চিত হোৱাৰ পিছতে গঠন কৰা হৈছে বিশেষ তদন্তকাৰী দল। এই ঘটনা এটা ডকাইতিৰ সৈতে জড়িত হ'ব পাৰে বুলি দাবী কৰিছে পৰিয়াল আৰু আৰক্ষীয়ে। ৰাজাৰ ভাতৃয়ে নিশ্চিত কৰে যে দুডাল হীৰাৰ ব্ৰেচলেট, দুডাল সোণৰ চেইন, দুটা সোণৰ আঙঠি আৰু চাৰিটা মোবাইল ফোন নোহোৱা হৈছে। লগতে সোণম নিৰুদ্দেশৰ ঘটনাত অপহৰণৰ সম্ভাৱনাও নুই কৰা নাই। আনহাতে ঘটনাস্থলীৰ পৰা উদ্ধাৰ হৈছে এগৰাকী মহিলাৰ বগা ছাৰ্ট, টেবলেটৰ ফিটা, ভঙা মোবাইলৰ স্ক্ৰীন, মৃতদেহৰ হাতত থকা এটা স্মাৰ্ট ৱাটচ। এই প্ৰমাণ গোচৰৰ তদন্তত সহায়ক হ'ব বুলি ধাৰণা কৰা হৈছে।







# কিয়া ক্লেভিছ গুৱাহাটীত মুকলি ডিভাইন কিয়াৰ

গুৱাহাটীৰ গোটানগৰ অঞ্চলৰ তেতেলীয়াত অৱস্থিত ডিভাইন কিয়াৰ শ্ব'ৰুমত অলপতে এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানেৰে মুকলি কৰা হল ডিভাইন কিয়া কোম্পানীৰ শেহতীয়া মডেল "কিয়া কেৰেন্স ক্লেভিছ"। এই নতুন প্ৰজন্মৰ বল্ড, ষ্টাইলিছ আৰু সম্পূৰ্ণ পৰিয়ালমুখী বাহনখনৰ উন্মোচনৰ সৈতে ডিভাইন কিয়াই গুৱাহাটীবাসীৰ বাবে এক নতুন যাত্ৰাৰ সূচনা কৰিলে। অনুষ্ঠানত ডিভাইন কিয়াৰ পৰিচালন সঞ্চালক সুৰেশ মৰ্দানীৰ উপস্থিত থাকে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ভূমিপুত্ৰ এপ বন্ধ কৰাৰ দাবী চৰকাৰক

দাস, পৱিত্ৰ হাজৰিকা, দীপজ্যোতি দাসৰ নেতৃত্বত দিল্লীলৈ যোৱা এটা সঁজাতী দলে নতুন দিল্লীত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, অনুসূচিত জাতিৰ ৰাষ্ট্ৰীয় আয়োগৰ অধ্যক্ষ, সামাজিক ন্যায় আৰু সবলীকৰণৰ কেন্দ্ৰীয় মন্ত্ৰীৰ কাৰ্যালয়ত পৃথকে পৃথকে স্মাৰক-পত্ৰ প্ৰদান কৰিছে। আজি নতুন দিল্লীত থকা দলটোৱে অসম মিডিয়া চেন্টাৰত সংবাদমেল সম্বোধন কৰি ৰাজ্য চৰকাৰে অসমৰ অনুসচিত জাতিৰ লোকসকলক প্ৰতাৰণা কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। সঞ্জীৱ দাস, জয়ন্ত দাস, পৱিত্ৰ হাজৰিকাই সম্বোধন কৰা সংবাদমেল যোগে অসম চৰকাৰে মিছন ভূমিপুত্ৰ এপ শীঘ্ৰে বন্ধ কৰাৰ দাবী জনায়। নেতাকেইজনে দাবী কৰি কয় যে এপযোগে কেন্দ্ৰীয় চৰকাৰৰ নীতিক উলংঘা কৰি জাতিগত প্ৰমাণ-পত্ৰ দিয়া হৈছে। পিতৃৰ প্ৰমাণ-পত্ৰখনৰ জৰিয়তে এপটোত আবেদন কৰিলেই সন্তানক প্ৰমাণ-পত্ৰ দিয়া হয়। অনুসূচিত জাতিৰ জাতিগত প্ৰমাণ-পত্ৰ দিবলৈ চাৰিটা প্ৰজন্মৰ তথ্য পুনৰীক্ষণ কৰিব লাগে। পূৰ্বপুৰুষৰ তথ্য পুনৰীক্ষণ কৰিহে প্ৰমাণ-পত্ৰ জাৰি কৰিব লাগে। চৰকাৰে এনে কৰি ১৯৯৪ চনৰ ২ আগষ্টত উচ্চ ন্যায়ালয়ৰ কুমাৰী মাধুৰী পাতিল বনাম অতিৰিক্ত আয়ুক্ত (১৯৯৪ ৬ এছচিচি ২৪১) গোচৰক লৈ দিয়া নিৰ্দেশনা উলংঘা কৰা হৈছে। আনহাতে অসমত সংঘটিত বিয়াগোম কেলেংকাৰীৰ প্ৰসংগ উল্লেখ কৰিছে। তেওঁলোকে সংবাদমেলত কয় যে অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ অধীনৰ অনুসূচিত জাতি কল্যাণ সঞ্চালকালত অনুসূচিত জাতিৰ নামত ভয়ংকৰ দুৰ্নীতি সংঘটিত হৈছে। অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ সঞ্চালিকা কুলশ্ৰী নাথৰ দুই সহযোগী ষ্টেনোগ্ৰাফাৰ সুবৰ্ণময় দেৱ আৰু প্ৰকল্প বিষয়া লিটন মিত্ৰই কাৰ্যালয়টোত ৰূপায়ণ হোৱা আঁচনিৰ ধন ঠিকাদাৰৰ সৈতে লগ লাগি লুণ্ঠন কৰিছে। অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ত ২০২২-২৩ আৰু ২০২৩-২৪ বৰ্ষত অনুসূচিত জাতিৰ লোকৰ মাজত টিভি আৰু পাকঘৰৰ সামগ্ৰী প্ৰদানৰ নামত ১৪০ কোটি টকাৰ আঁচনি ৰূপায়ণ কৰা হৈছিল। এক আঁচনি যোগে একোটাকৈ টিভি, টিভি থ'বলৈ প্লাষ্টিকৰ টেবুল-চকী, প্লাষ্টিকৰ মগ, বাল্টি, প্লাষ্টিকৰ কণ্টেইনাৰ, গেছৰ চৌকা, প্ৰেছাৰ কুকাৰ দিয়াৰ ব্যৱস্থা কৰিছিল। ঠিকা লাভ কৰিছিল ঠিকাদাৰ নূপুৰ সাহাই। নিবিদাৰ শেষত ঠিকাদাৰ নূপুৰ সাহাক ধন মুকলি কৰি দিয়ে। কিছু হিতাধিকাৰীক টিভিৰ সৈতে একোখন প্লাষ্টিকৰ টেবুল আৰু সেই টিভি বহি চাবলৈ দুখনকৈ প্লাষ্টিকৰ চকী প্ৰদান কৰা হয়। প্লাষ্টিকৰ চকীসমূহ ইমানে পাতল যে মানুহ বহিবই নোৱাৰে। টেবুলখনৰো অৱস্থা একেই। পাকঘৰৰ সামগ্ৰীসমূহ যেনে প্লাষ্টিকৰ মগ, বাল্টি, প্লাষ্টিকৰ কণ্টেইনাৰ, গেছৰ চৌকা, প্ৰেছাৰ কুকাৰ আদি প্ৰদান কৰা হৈছে। টিভিসমূহো ব্ৰেণ্ডেড নহয় আৰু অত্যন্ত কম দামৰ। বজাৰত ৬০০ টকাত লাভ কৰা প্ৰেছাৰ কুকাৰ ২৭০০ টকাত কিনা দেখুৱাইছে। ২৩ হাজাৰ টকীয়া টিভি ৫৯ হাজাৰ টকাত কিনা দেখুৱাছে। এই সামগ্ৰীসমূহ নিম্ন মানৰ আৰু ব্যৱহাৰৰ অনুপযোগী। এই দুৰ্নীতিত জড়িত সঞ্চালিকা কুলশ্ৰী নাথ, সুবৰ্ণময় দেৱ, ঠিকাদাৰ নূপুৰ সাহা আৰু প্ৰকল্প বিষয়া লিটন মিত্ৰ। অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ ষ্টেনোগ্ৰাফাৰ সুবৰ্ণময় দেৱ আৰু প্ৰকল্প বিষয়া লিটন মিত্ৰৰ সম্পত্তিৰ তদন্ত কৰিবলৈ ইডিক নিৰ্দেশ দিয়ক। কিয়নো সুবৰ্ণময় দেৱৰ গুৱাহাটীৰ ৰুক্মিণীগাঁৱত তিনি কঠা মাটিত আছে তিনিমহলীয়া অট্টালিকা। ডাউন-টাউনত থ্ৰী-বিএইচকে ফ্লেট আছে। কন্যা আৰু পৰিয়ালৰ নামত বহু সম্পত্তি ক্ৰয় কৰিছে। সুবৰ্ণময় দেৱ আজি প্ৰায় ৫০ কোটি টকাৰ সম্পত্তিৰ গৰাকী। সুবৰ্ণময় দেৱে কাৰ্যালয়ত প্ৰায় ২৫ বছৰ ধৰি চাকৰি কৰি আছে। ২৫ বছৰেই কাৰ্যালয়টোত লুণ্ঠন চলাইছে। প্ৰায় ৫০ হাজাৰ টকা দৰমহা পোৱা এজন লোকে কেইটামান বছৰৰ ভিতৰত ইমান সম্পত্তি গঢ়িলে কেনেকৈ? আয়তকৈ তেওঁৰ সম্পত্তি অত্যধিক। সেয়েহে আয়-বহিৰ্ভূত সম্পত্তিৰ তদন্ত কৰিবলৈ ভাৰত চৰকাৰক ইডিক নিৰ্দেশ দিবলৈ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ক দাবী জনায়। অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ কাৰ্যালয়ৰ পৰা শীঘ্ৰে লিটন মিত্ৰক তেওঁৰ নিজৰ বিভাগ অৰ্থনৈতিক পৰিসংখ্যা বিভাগলৈ বদলি কৰক। অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ত ষ্টেনোগ্ৰাফাৰ পদৰ প্ৰয়োজনীয়তা নাই। সেয়েহে ষ্টেনোগ্ৰাফাৰ সুবৰ্ণময় দেৱক শীঘ্ৰে ডেপুটেচনত অন্য কাৰ্যালয়লৈ বদলি কৰক। অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ত কৰ্মৰত লিটন মিত্ৰ অৰ্থনৈতিক পৰিসংখ্যা বিভাগৰ কৰ্মচাৰী। ৮ বছৰে অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ত প্ৰকল্প বিষয়াৰ চকীত বহি থকা লিটন মিত্ৰক বদলি কৰা হৈছিল যদিও ন্যায়ালয়ৰ কাষ চাপি পিতৃৰ ৰোগৰ বাবে বদলি স্থগিত কৰিছিল। প্ৰকৃততে পিতৃৰ ৰোগ এক অজুহাতহে আছিল। ইপিনে অনুসূচিত জাতিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বৃত্তি প্ৰদানত সংঘটিত দুৰ্নীতিৰ তদন্ত কৰাৰ দাবী জনায়। অনুসূচিত জাতিৰ প্ৰাক-প্ৰৱেশিকা বৃত্তিৰ নামত অহা ধন অনুসূচিত জাতি কল্যাণ সঞ্চালকে লুণ্ঠন কৰি আহিছে। প্ৰাক-প্ৰৱেশিকা বৃত্তিৰ নামত ৭ কোটি টকাৰ কেলেংকাৰী সংঘটিত হৈছে। প্ৰাক-প্ৰৱেশিকা বৃত্তিৰ নামত ৭ কোটি টকা কেলেংকাৰী সংঘটিত কৰা দুৰ্নীতিকাৰীক গ্ৰেপ্তাৰ কৰাৰ লগতে সেই টকা উদ্ধাৰ কৰি পুনৰ প্ৰাক-প্ৰৱেশিকা বৃত্তিপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক প্ৰদানৰ ব্যৱস্থা কৰক। সঞ্জীৱ দাসে সংবাদমেলযোগে আন এক দুৰ্নীতিৰ কথা উল্লেখ কৰে। তেওঁ কয় যে বৈদ্যুতিক তাঁতশাল বিতৰণৰ নামত সংঘটিত দুৰ্নীতিৰ তদন্ত কৰক। বৈদ্যুতিক তাঁতশালৰ নামত ৰাজকোষৰ পৰা টকা ওলাই গৈছে যদিও তাঁতশালসমূহ গুদামত পৰি থকাৰ তথ্য লাভ কৰিছো। বৈদ্যুতিক তাঁতশাল লাভ কৰা বোৱঁতীক প্ৰশিক্ষণ প্ৰদান কৰিব লাগিছিল যদিও আজিলৈ প্ৰশিক্ষণ প্ৰদান কৰা নহ'ল। বৈদ্যুতিক তাঁতশাল বিতৰণৰ নামত সংঘটিত দুৰ্নীতিৰ উচিত তদন্ত কৰক ভাৰত চৰকাৰে। অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ কাৰ্যালয়ত গোপনে কৰ্মচাৰী নিযুক্তি দিয়া হৈছে। কাৰ্যালয়টোক কৰ্মৰত এজন লোকৰ পৰিয়ালৰ লোকক কাৰ্যালয়টোত নিযুক্তি দিয়া হৈছে। নিযুক্তি পৰীক্ষা নপতাকৈ নিযুক্তি দিয়া কাণ্ডৰ তদন্ত কৰি কৰ্মচাৰীজনক শীঘ্ৰে চাকৰিৰ পৰা নিলম্বন কৰক। অসম অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ত টিভি আৰু পাকঘৰৰ সামগ্ৰী বিতৰণত সংঘটিত প্ৰায় ১৪০ কোটি টকীয়া দুৰ্নীতিৰ বিষয়ে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু ৰাষ্ট্ৰীয় অনুসূচিত জাতি আয়োগক অৱগত কৰা হৈছিল। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু ৰাষ্ট্ৰীয় অনুসূচিত জাতি আয়োগে ১৫ দিনৰ ভিতৰত তদন্ত কৰিবলৈ অসম চৰকাৰৰ মুখ্য সচিবক কঠোৰ নিৰ্দেশ দিছিল। কিন্তু নিৰ্দেশ অনুযায়ী তদন্ত কৰা নহ'ল। যাৰ বাবে অসমৰ মুখ্য সচিবক জবাবদিহি কৰা হওক। অনুসূচিত জাতিৰ এলেকাত মিনি ষ্টেডিয়াম নিৰ্মাণক লৈ হোৱা অনিয়মৰ তদন্ত কৰক ভাৰত চৰকাৰে। গোলাঘাট জিলাৰ সৰুপথাৰৰ চাংপুল, নগাঁও জিলাৰ দৰ্শন ফিল্ড আৰু বঢ়মপুৰত মিনি ষ্টেডিয়াম নিৰ্মাণৰ সিদ্ধান্ত লৈছিল যদিও স্থান নিৰ্ধাৰণত অনিয়ম সংঘটিত হৈছে। ষ্টেডিয়ামকেইখন ৪০ শতাংশ অনুসূচিত জাতিৰ লোক বসতি কৰা এলেকাত নিৰ্মাণ হ'ব লাগিছিল। অনুসূচিত জাতিৰ উচ্চ শিক্ষা গ্ৰহণ কৰি নিবনুৱা হৈ থকা অসমৰ ছাত্ৰ-ছাত্ৰীক সৰ্বভাৰতীয় পৰীক্ষাত বহিব পৰাকৈ কোচিং দিয়াৰ ব্যৱস্থা কৰাৰ কথা উল্লেখ কৰি কয় যে কেন্দ্ৰীয় চৰকাৰে ২০১৬ চনৰ পৰা ২০২৩ বৰ্ষলৈ অসমৰ অনুসূচিত জাতিৰ শিক্ষিত নিবনুৱাক দক্ষতা বিকাশৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছিল। কিন্তু অনুসূচিত জাতিৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰশিক্ষণ লাভ নকৰিলে। এই কুকীৰ্তিত জড়িত ব্যক্তিবিশেষ আৰু বেচৰকাৰী প্ৰতিষ্ঠানৰ বিৰুদ্ধে চিবিআই তদন্ত ঘোষণা কৰা হওক। ৰাজ্যত অনুসূচিত জাতিৰ বাবে সংৰক্ষিত বেকলগ পদসমূহ পূৰণ কৰাৰো দাবী জনায়। অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদ আৰু সদৌ অসম কৈৱৰ্ত যুৱ-ছাত্ৰ সন্মিলনীৰ নেতাসকলে কয় যে অনা-অনুসূচিত জাতিৰ বহুশ লোকে অনুসূচিত জাতিৰ ভুৱা জাতিগত প্ৰমাণ-পত্ৰ ব্যৱহাৰ কৰি অনুসূচিত জাতিৰ সংৰক্ষণ কব্জা কৰিছে। অনুসূচিত জাতিৰ লোক নোহোৱা সত্ত্বেও অনুসূচিত জাতিৰ ভুৱা জাতিগত প্ৰমাণ-পত্ৰ ব্যৱহাৰ কৰি চাকৰি-শিক্ষাত সংৰক্ষণ পাইছে। অবৈধ চাকৰিয়ালসকলক চিনাক্ত কৰিবলৈ ন্যায়িক তদন্ত সমিতি গঠন কৰক ভাৰত চৰকাৰে। ৰাজ্যৰ চাফাই কৰ্মীসকল বেছিভাগেই অনুসূচিত জাতিৰ। কিন্তু বছৰ বছৰ তেওঁলোক অধিকাৰৰ পৰা বঞ্চিত। চাফাই কৰ্মীসকলৰ চাকৰি নিয়মীয়াকৰণৰ লগতে জীৱন-ধাৰণৰ প্ৰণালী উন্নত কৰিবলৈ বিশেষ আঁচনি গ্ৰহণ কৰক চৰকাৰে। চাফাই কৰ্মীৰ চাকৰি অনুসূচিত জাতিৰ বাবে এশ শতাংশই সংৰক্ষণ কৰক। অনুসূচিত জাতি-জনজাতিৰ বিষয়াসকলক জ্যেষ্ঠতাৰ ভিত্তিত পূৰ্বৰে পৰা পদোন্নতি দিয়াৰ ব্যৱস্থা আছে। কিন্তু শেহতীয়াকৈ পদোন্নতি বন্ধ কৰি ৰাখিছে চৰকাৰে। ৰাজ্যত কৰ্মৰত অনুসূচিত জাতিৰ বিষয়াসকলক শীঘ্ৰে জ্যেষ্ঠতাৰ ভিত্তিত পদোন্নতি দিয়ক। ভূমিহীন এছচি পৰিয়ালক ভূমি পট্টা প্ৰদান কৰা হওক। আজিও বহু এছচি পৰিয়ালৰ নিজৰ নামত ভূমি নাই। তেওঁলোকক আইনী পট্টাসহ ভূমি প্ৰদান কৰা হওক। সংবিধান অনুসৰি বাজেটত ৬.৫ শতাংশ ধন ধাৰ্য কৰক। এছচিৰ কল্যাণৰ বাবে ৰাজ্য চৰকাৰে সংবিধানত উল্লিখিত ৬.৫% বাজেট সংৰক্ষণ কৰা হওক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰধানমন্ত্ৰীৰ চিএমলৈ ফোন, ল'লে খবৰ

অব্যাহত আছে বান আৰু ভূমিস্খলনৰ বিভীষিকা। ইতিমধ্যে এই বান পৰিস্থিতিত উত্তৰ-পূবত মৃত্যু ঘটিছে ৩৬ জনকৈ লোকৰ, গৃহহাৰা হৈছে হাজাৰ হাজাৰ লোক। অসমত ৮০ হাজাৰৰো অধিক লোকৰ সপোনৰ ঘৰখন এতিয়াও বুৰাই ৰাখিছে বাঢ়নী পানীয়ে। অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ এনে দুৰ্যোগৰ মাজতে আজি অসমকে ধৰি বান প্ৰভাৱিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীৰে ফোনযোগে বাৰ্তালাপ কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ফোনতে তেওঁ পৰিস্থিতিৰ পৰ্যালোচনা কৰি পূৰ্ণ সমৰ্থনৰো আশ্বাস দিয়ে। প্ৰধানমন্ত্ৰী মোদীয়ে আজি ব্যক্তিগতভাৱে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং টামাং আৰু মণিপুৰৰ ৰাজ্যপাল অজয় ভল্লাৰ সৈতে বাৰ্তালাপ কৰে। তেওঁ ক্ষেত্ৰ পৰ্যায়ৰ পৰিস্থিতি আৰু চলি থকা সাহায্যমূলক কাম-কাজৰ বিষয়ে সোধা-পোছা কৰে। প্ৰধানমন্ত্ৰীৰ ফৌনিক আলাপ সন্দৰ্ভত এক্সযোগে জানিবলৈ দিয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। তেওঁ লিখিছে, "কিছু সময়ৰ পূৰ্বে মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীজীয়ে মোক ফোন কৰি অসমৰ সাম্প্ৰতিক বান পৰিস্থিতিৰ বিষয়ে সোধা-পোছা কৰে।" শৰ্মাই প্ৰধানমন্ত্ৰীক অৱগত কৰে যে অসম তথা চুবুৰীয়া ৰাজ্যসমূহত অবিৰত বৰষুণৰ ফলত ব্যাপক বানপানীৰ সৃষ্টি হৈছে আৰু ইয়াৰ ফলত জনজীৱন ভয়াৱহভাৱে প্ৰভাৱিত হৈছে। শৰ্মাই লগতে কয়, "মাননীয় প্ৰধানমন্ত্ৰীয়ে উদ্বেগ প্ৰকাশ কৰিছে আৰু আমাৰ সাহায্য আৰু পুনৰ্বাসন প্ৰচেষ্টাত কেন্দ্ৰীয় চৰকাৰৰ সম্পূৰ্ণ সমৰ্থনৰ আশ্বাস দিছে।" মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীক তেওঁৰ "পৰিদৰ্শন আৰু অটল সমৰ্থন"ৰ বাবে ধন্যবাদ জনায়। ইফালে চুবুৰীয়া ছিকিমত ভূমিস্খলন আৰু বানপানীয়ে ব্যাপক ক্ষতিসাধন কৰিছে। ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং টামাঙেও ছ'চিয়েল মিডিয়াত প্ৰধানমন্ত্ৰীৰ উদ্বেগৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। তেওঁ লিখিছে, "ছিকিমৰ জনসাধাৰণৰ হৈ আপোনাৰ উদ্বেগ আৰু সমৰ্থনৰ বাবে মই আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰিছো।" তেওঁ লগতে কয় যে ৰাজ্য প্ৰশাসন ক্ষতিগ্ৰস্ত লোকসকলক সহায় কৰাৰ বাবে সম্পূৰ্ণ প্ৰতিশ্ৰুতিবদ্ধ। অসম এতিয়াও আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত ৰাজ্যসমূহৰ ভিতৰত অন্যতম, য'ত বান পৰিস্থিতি সংকটজনক হৈয়ে আছে। চৰকাৰী তথ্য অনুসৰি মৃতকৰ সংখ্যা ১১ জনলৈ বৃদ্ধি পাইছে বানপানীত ৬ জন আৰু ভূমিস্খলনত ৫ জন লোকৰ মৃত্যু হৈছে। ২২ খন জিলাৰ ৫.১৫ লাখৰো অধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। ছিকিমৰ মংগন জিলাই আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হোৱাৰ ফলত ৰাজ্য চৰকাৰে আনুষ্ঠানিকভাৱে এই ক্ষতিক দুৰ্যোগ ঘোষণা কৰে। ২৮ মে'ৰ পৰা অবিৰত বৰষুণৰ ফলত ভূমিস্খলন হোৱাৰ লগতে আন্তঃগাঁথনি জাহ গৈছে। দেওবাৰে সন্ধিয়া আচেনৰ চেটেন অঞ্চলত সেনা শিবিৰত হোৱা এক বৃহৎ ভূমিস্খলনৰ ফলত তিনিজন জোৱান নিহত হোৱাৰ লগতে আন ছয়জন সৈনিক নিৰুদ্দেশ হৈ আছে। ইফালে মণিপুৰৰ পৰিস্থিতিও চিন্তনীয়। অবিৰত বৰষুণৰ ফলত ইম্ফলস্থিত জৱাহৰলাল নেহৰু চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠান (JNIMS)ত ভয়ংকৰভাৱে পানী জমা হৈছে। ভাৰতীয় সেনা, অসম ৰাইফলছ, এন ডি আৰ এফ, এছ ডি আৰ এফ আৰু অগ্নিনিৰ্বাপক বাহিনীৰ সহ উদ্ধাৰকাৰী দলে আবদ্ধ হৈ থকা চিকিৎসা বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীক বানপানী চৌহদৰ পৰা উলিয়াই আনিবলৈ যৌথ অভিযান আৰম্ভ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ষ্ট্ৰীট লাইট নুমাই চোৰৰ দৰে গছ কটাৰ বৃথা

থকা ঐতিহ্য বহন কৰা কেইজোপামান গছৰ ওপৰত কুঠাৰ পৰিল প্ৰশাসনৰ। নিশা ষ্ট্ৰীট লাইট বন্ধ কৰি আন্ধাৰত চোৰৰ দৰে গছ কাটিলে প্ৰশাসনে। এই ঘটনা কেইজনমান স্থানীয় লোকে প্ৰত্যক্ষ কৰাৰ পিছতে অঞ্চলটোত অৰ্ধ-শতাধিক প্ৰকৃতিপ্ৰেমী আৰু স্থানীয় লোক উপস্থিত হৈ গছ কটা কাৰ্যৰ বিৰোধিতা কৰে। কোনো ৰাজহুৱা জাননী অবিহনে গছবোৰ কটা হৈছে বুলি অভিযোগ কৰে স্থানীয় লোকসকলে। স্থানীয় লোকে প্ৰশাসনৰ প্ৰতিনিধিক সাক্ষাৎ কৰি জবাবদিহি কৰে। অৱশ্যে গছ কটা সম্পৰ্কে কোনো সদুত্তৰ দিব নোৱাৰিলে প্ৰশাসনৰ বিষয়াই। প্ৰশাসনৰ বিষয়াই কয় যে এই গছবোৰ শিপাৰে সৈতে উঠাই নি অন্য ঠাইত ৰোপণ কৰা হ'ব। কিন্তু স্থানীয় লোকসকলে কয় যে ইতিমধ্যে গছবোৰৰ ডাল-পাত সম্পূৰ্ণৰূপে কাটি পেলোৱা হৈছে। গতিকে গছবোৰ উঠাই নি অন্য ঠাইত ৰোপণ কৰিলেও গছবোৰ বচাৰ আশা খুব ক্ষীণ। উল্লেখ্য যে ২০২৪ চনৰ ছেপ্টেম্বৰ মাহত দীঘলীপুখুৰীৰ পাৰৰ গছ কটাৰ বিৰুদ্ধে গুৱাহাটীবাসী ৰাইজ, দল-সংগঠন আৰু শিল্পী-প্ৰকৃতিপ্ৰেমী সমাজে প্ৰতিবাদ কৰিছিল। প্ৰশাসনক গছ কটাত বাধা দিবলৈ কেইবানিশা উক্ত অঞ্চলত পহৰা দিছিল তেওঁলোকে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিশা সেই স্থান পৰিদৰ্শন কৰি কোনো গছ কটা নহয় বুলিও প্ৰতিশ্ৰুতি দিছিল। এই প্ৰতিশ্ৰুতিৰে উচ্চ ন্যায়ালয়ত শপতনামাও দাখিল কৰিছিল ৰাজ্য চৰকাৰে। দীঘলীপুখুৰীৰ পাৰৰ গছবোৰ কটা সম্পৰ্কে স্থানীয় লোকসকলে কয় যে আমি উন্নয়নৰ বিৰোধী নহয়। কিন্তু আমাক বহনক্ষম উন্নয়ন লাগে। প্ৰকৃতি ধ্বংস কৰা উন্নয়ন আমাক নালাগে। এই ঐতিহ্যকাৰী গছবোৰ কাটিবলৈ দিয়া নহ'ব। উল্লেখ্য যে যোৱানিশা প্ৰতিবাদৰ সময়ত প্ৰশাসনৰ বিষয়াই কয় যে মঙলবাৰে দিনত কামৰূপৰ আয়ুক্তই স্থানীয় ৰাইজৰ লগত আলোচনাত মিলিত হ'ব। কিন্তু মঙলবাৰে আয়ুক্তই স্থানীয় লোকসকলক সাক্ষাৎ কৰাৰ পৰা বিৰত থাকিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অবাধ্য আদানি! নিষেধাজ্ঞা স্বত্বেও গোপনে

এই অভিযোগৰ ভিত্তিত আমেৰিকাৰ ন্যায় বিভাগে আদানি এন্টাৰপ্ৰাইজৰ বিৰুদ্ধে তদন্ত আৰম্ভ কৰিছে। অৱশ্যে আদানি গ্ৰুপে এই অভিযোগ সম্পূৰ্ণ ভিত্তিহীন বুলি খাৰিজ কৰাৰ লগতে তদন্তৰ বিষয়ে অজ্ঞাত বুলিও দাবী কৰে। ৱাল ষ্ট্ৰীট জাৰ্নেলত প্ৰকাশিত এক প্ৰতিবেদন অনুসৰি, আমেৰিকাৰ নিষেধাজ্ঞাৰ পিছতো গুজৰাটৰ মুন্দ্ৰা বন্দৰৰ জৰিয়তে ইৰানৰ পৰা আদানি গ্ৰুপে গোপনে এলপিজি আমদানি কৰি আহিছে। দাবী কৰা হৈছে যে শেহতীয়াকৈ এই বন্দৰত ইৰানৰ কেইবাখনো তেল টেংকাৰ দেখা গৈছে। এই সন্দৰ্ভত আমেৰিকাৰ কোষাগাৰ বিভাগ আৰু ন্যায় বিভাগে তদন্ত চলাই আছে। অৱশ্যে আদানি গ্ৰুপে এই সকলো অভিযোগ অস্বীকাৰ কৰি এক বিবৃতি প্ৰকাশ কৰে। আদানি এন্টাৰপ্ৰাইজৰ এগৰাকী মুখপাত্ৰই কয়, "আমি ইৰানৰ পৰা গোপনে কোনো তেল আমদানি কৰা নাই। এই অভিযোগ সম্পূৰ্ণ ভিত্তিহীন। আদানি গ্ৰুপৰ সুনাম কলংকিত কৰিবলৈ ইচ্ছাকৃতভাৱে এনে ষড়যন্ত্ৰ ৰচনা কৰা হৈছে।" আমেৰিকাৰ ন্যায় বিভাগে চলাই থকা কোনো তদন্তৰ বিষয়ে অজ্ঞাত বুলিও দাবী কৰে তেওঁ। আদানি গ্ৰুপে কয় যে ইয়াৰ সকলো বন্দৰতে কঠোৰ নীতি মানি চলা হয়। ইৰানৰ পৰা অহা, ইৰানৰ পতাকা উৰুওৱা বা ইৰানৰ মালিকানাধীন কোনো জাহাজকে তেওঁলোকৰ বন্দৰত প্ৰৱেশ কৰিবলৈ দিয়া নহয়। তেওঁলোকে তৃতীয় পক্ষৰ জৰিয়তে তেল ক্ৰয় কৰে, যাৰ নথি-পত্ৰ সোহাৰ বা ওমান বন্দৰত পৰীক্ষা কৰা হয়। মন কৰিবলগীয়া যে ২০১৮ চনত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প প্ৰশাসনে ইৰানৰ ওপৰত কঠোৰ অৰ্থনৈতিক নিষেধাজ্ঞা আৰোপ কৰিছিল, য'ত তেল আৰু পেট্ৰ'কেমিকেল সামগ্ৰী ক্ৰয় আৰু বিক্ৰীৰ ক্ষেত্ৰত বাধা আৰোপ কৰা হৈছিল। এই নিষেধাজ্ঞাক আওকাণ কৰা দেশসমূহৰ ওপৰত অৰ্থনৈতিক নিষেধাজ্ঞা আৰোপ কৰা হ'ব বুলি ট্ৰাম্প প্ৰশাসনে বাৰে বাৰে সকীয়াই দি আহিছে। ইয়াৰ পূৰ্বে আদানি গ্ৰুপৰ বিৰুদ্ধে আমেৰিকাত বিভিন্ন আৰ্থিক অনিয়ম আৰু উৎকোচৰ অভিযোগ উত্থাপন হৈছিল। সেই অভিযোগসমূহ সদায় অস্বীকাৰ কৰি আহিছে আদানি গ্ৰুপে। ইৰাণৰ তেল আমদানিৰ এই নতুন অভিযোগে পুনৰবাৰ আন্তঃৰাষ্ট্ৰীয় মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# ৫ দিনৰ অন্তত ডাঙৰী নৈত উদ্ধাৰ হ'ল মেধাৱী ছাত্ৰ সুমন মৰাণৰ মৃতদেহ, কৰ্দৈগুৰিত শোকৰ ছাঁ

## পঢ়াৰ খৰচ উলিয়াবলৈ জিঅ' বেগত পলস ভৰোৱা কাম কৰিবলৈ গৈছিল পিতৃহাৰা ছাত্ৰজনে

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ৩ জুনঃ** যোৱা ৩০ মে'ত দিনৰ পৰাই নিখোজ হৈ থকা সুমন মৰাণ (১৮) ৰ মৃতদেহ আজি পুৱা প্ৰায় ৭ বজাত ডাঙৰী নৈত উদ্ধাৰ হয়। তিনিচুকীয়া জিলাৰ নৱগঠিত মাকুম বিধানসভা সমষ্টিৰ অন্তৰ্গত ১ নং কৰ্দৈগুৰি ভতিয়ামখাল গাঁৱৰ প্ৰয়াত গণেশ মৰাণ আৰু মিনতি মৰাণৰ কণিষ্ঠ সন্তান সুমন মৰাণে পৰিয়ালৰ আৰ্থিক অনাটনৰ বাবে আনদিনাৰ দৰে ৩০ মে'ত ৩ নং কৰ্দৈগুৰি (গৰিয়াটিং) গাঁৱৰ ডাঙৰী নৈৰ অনন্ত নলাৰ পাৰত জিঅ'বেগত পলস ভৰোৱা কাম কৰিবলৈ গৈছিল যদিও বাঢ়নী পানীৰ ভয়াৱহ ৰূপৰ বাবে কাম নোহোৱাত ঘৰলৈ উভতি অহাৰ সময়তে এখন সৰু নৈ পাৰ হওঁতে সোঁতত উটি যোৱাৰ সন্দেহ কৰিছিল গাঁওবাসীয়ে। তেতিয়াৰ পৰাই নিখোজ হৈ থকা সুমনৰ সন্ধানত এছ ডি আৰ এফে নৈৰ বুকুত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছিল যদিও যোৱা চাৰি দিনে সুমনৰ কোনো সন্ধান উলিয়াব পৰা নাছিল এছ ডি আৰ এফে। এছ ডি আৰ এফ বাহিনীৰ দুটা দলে উদ্ধাৰ অভিযান অব্যাহত ৰখাৰ পিছত আজি পুৱাৰ ভাগত এন ডি আৰ এফ বাহিনীয়ে সুমনৰ সন্ধানত অভিযান আৰম্ভ কৰিবলৈ লোৱাৰ প্ৰাকক্ষণত স্থানীয় একাংশ যুৱকে নৈত এটা মৃতদেহ ওপঙি থকা প্ৰত্যক্ষ কৰাত এন ডি আৰ এফে মৃতদেহটো উদ্ধাৰ কৰে। উল্লেখ্য যে ডাঙৰী নৈৰ অনন্ত নলাই কৰ্দৈগুৰি অঞ্চলটোত ব্যাপক ৰূপত খহনীয়াৰ সৃষ্টি কৰিছে। ৩ নং কৰ্দৈগুৰি (গৰিয়াটিং) গাঁওখনৰ খহনীয়া প্ৰতিৰোধৰ বাবেই জি'অবেগৰ কাম চলি আছিল। নৈৰ জলস্তৰ বৃদ্ধি পোৱাত আৰু প্ৰতিকূল বতৰৰ বাবে সেইদিনা কাম বন্ধ কৰিব লগা হোৱাত সুমনে আনসকলৰ সৈতে তাৰ পৰা গুচি আহে। নৈৰ পানী অধিক হোৱাত আনসকলে মূল পথেৰে ঘৰলৈ যোৱাৰ বিপৰীতে সুমনে সোনকালে ঘৰ পোৱাৰ আশাৰে ওচৰৰ বাটেৰে ঘৰলৈ পোনাই দিছিল। সেই বাটটোৰ মাজতে এটা সৰু পানী বৈ যোৱা নলা আছিল। ৩০ মে'ত ডাঙৰী অনন্ত নলাৰ বাঢ়নী পানীয়ে উক্ত নলাটো বুৰাই পেলাইছিল। সেই পথেৰে সুমন মৰাণে ঘৰলৈ



আহিয়েই নিখোজ হৈছিল। সুমনে পথাৰৰ মাজেৰে নলাটোৰ পিনে ঘৰলৈ অহাৰ কথা আনসকলো জ্ঞাত। কিন্তু সুমনে কেনেকৈ পানীত পৰিল সেই বিষয়ে কোনোৱে জ্ঞাত নহয়। সাঁতুৰিব নজনা ছাত্ৰজন যে পানীত পৰিয়েই নিখোজ হৈছিল সেইটো পৰিয়াল তথা ৰাইজ নিশ্চিত হৈছিল। অৱশেষত ৰাইজৰ সহযোগত ৫ দিনৰ মূৰকত এন ডি আৰ এফ বাহিনীয়ে আজি পুৱা সুমন মৰাণৰ মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। সুমন মৰাণৰ মৃতদেহ উদ্ধাৰ হোৱাৰ লগে লগে গাঁওখনৰ লগতে কৰ্দৈগুৰি অঞ্চলত এক শোকাকুল পৰিৱেশৰ সূচনা হয়। মেধাৱী ছাত্ৰ সুমনে সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত স্থানীয় কৰ্দৈগুৰি ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ পৰা দুটা বিষয়ত লেটাৰসহ ৬৫.২ শতাংশ নম্বৰ লাভ কৰি প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। পৰিয়ালৰ আৰ্থিক দুৰৱস্থাৰ সত্বেও সুমনৰ মন আছিল উচ্চ শিক্ষা গ্ৰহণ কৰাৰ। নিচেই সৰুতেই পিতৃক হেৰুওৱা সুমনৰ পৰিয়ালটোত মাক মিনতি মৰাণেই আছিল ঘৰখনৰ একমাত্ৰ উপাৰ্জনকাৰী ব্যক্তি। স্বামীক হেৰুওৱাৰ পিছৰ পৰাই অশেষ কষ্টৰে তিনিটা সন্তানক ডাঙৰ-দীঘল কৰি শিক্ষিত কৰাৰ ক্ষেত্ৰত মাতৃ মিনতি মৰাণে অশেষ ত্যাগ স্বীকাৰ কৰিছিল। সুমনৰ বায়েক মামণি মৰাণে বি এছ চি ডিগ্ৰী অৰ্জন কৰাৰ লগতে সুমনৰ ককায়েকো উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ। মাক মিনতি মৰাণে এতিয়াও গাঁৱৰ ইঘৰ-সিঘৰত কাম-বন কৰি দুপইচা উপাৰ্জন কৰি অশেষ দুখ-কষ্টৰ মাজেৰে চাৰিজনীয়া পৰিয়ালটো চলাই আহিছে। দৰিদ্ৰ পৰিয়ালটোত মাকক কিছু সকাহ দিবলৈ আৰু লগতে নিজৰ পঢ়াৰ খৰচ উলিয়াবলৈ সুমনে এনেদৰে চেকবান্ধত জিঅ'বেগত পলস ভৰোৱা কাম কৰিবলৈ লৈছিল। সুমন মৰাণৰ মৃতদেহ উদ্ধাৰৰ পিছতে মৰণোত্তৰ পৰীক্ষাৰ বাবে মাকুমস্থিত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়লৈ প্ৰেৰণ কৰে। মৰণোত্তৰ পৰীক্ষাৰ অন্তত আবেলি সুমনৰ নশ্বৰ দেহ ঘৰলৈ অনাৰ পথত সুমনে অধ্যয়ন কৰা কৰ্দৈগুৰি ছিনিয়ৰ ছেকেণ্ডেৰী স্কুল আৰু বৃহত্তৰ কৰ্দৈগুৰি যুৱক সংঘৰ তৰফৰ পৰা শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পিছত নিজ গৃহত শোকাকুল পৰিৱেশত অন্তিম সংকাৰ কৰা হয়। সুমন মৰাণৰ অতি দৰিদ্ৰ পৰিয়ালটিক উচিত ক্ষতিপূৰণ দিয়াৰ লগতে পৰিয়ালৰ এগৰাকীক চৰকাৰী চাকৰিত সংস্থাপন দিবলৈ সদৌ মৰাণ ছাত্ৰ সন্থাই দাবী জনাইছে। আজি সুমন মৰাণৰ মৃতদেহ উদ্ধাৰৰ পিছতে দুৰ্ভগীয়া পৰিয়ালটোক সাক্ষাৎ কৰিবলৈ ৮২ নং ডুমডুমা সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী ৰূপেশ গোৱালা, শদিয়া বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম গেছ কোম্পানীৰ অধ্যক্ষ বলীন চেতিয়া, লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাৰ প্ৰতিনিধি তথা বিজেপিৰ তিনিচুকীয়া জিলা সমিতিৰ উপ-সভাপতি মূলেন্দ্ৰ মৰাণ, অসম মৰাণ সভাৰ সাধাৰণ সম্পাদক বিতোপন মৰাণ, তালাপ-কৰ্দৈগুৰি মৰাণ ছাত্ৰ সন্থাৰ লগতে বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়া উপস্থিত হৈ শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। সদৌ মৰাণ ছাত্ৰ সন্থাই সুমন মৰাণৰ অকাল মৃত্যুত সুমনৰ দৰে এগৰাকী প্ৰচুৰ সম্ভাৱনা থকা মেধাৱী ছাত্ৰৰ বিয়োগ সমাজৰ বাবে অপূৰণীয় ক্ষতি বুলি অভিহিত কৰিছে। আবেলিলৈ সুমন মৰাণৰ গৃহত অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ো উপস্থিত হৈ দুৰ্ভগীয়া পৰিয়ালটিক সমবেদনা জ্ঞাপন কৰাৰ লগতে ছাত্ৰজনৰ আত্মাৰ চিৰশান্তি কামনা কৰে।

# চাৰিঙত ডঃ পীতাম্বৰ দেৱগোস্বামীৰ জন্মদিৱস উদযাপন

**ই-সংবাদ বিশেষ, আমগুৰি, ৩ জুনঃ** শিৱসাগৰ জিলাৰ ঐতিহাসিক চাৰিং অঞ্চলত ড° পীতাম্বৰ দেৱগোস্বামীৰ উপস্থিতিত চাৰিং আৰু আমগুৰিবাসীয়ে সম্ভাৱনা দিৱস হিচাপে পালন কৰে তেওঁৰ ৬৭ সংখ্যক জন্মদিৱস। বৰ্ণাঢ্য কাৰ্যসূচীৰে চাৰিং ৰাস মহোৎসৱ আৰু কলা কৃষ্টি কেন্দ্ৰ প্ৰেক্ষাগৃহত আয়োজন কৰা হৈছে আউনীআটী সত্ৰৰ সত্ৰাধিকাৰগৰাকীৰ জন্মদিৱস উদযাপন। সত্ৰাধিকাৰগৰাকীৰ জন্ম দিৱস উপলক্ষে আয়োজিত ৰাজহুৱা সভাত অসম আৰক্ষীৰ প্ৰাক্তন সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্ত, আউনীআটী সত্ৰৰ ডেকা সত্ৰাধিকাৰ দেৱানন্দ দেৱগোস্বামী, চাৰিং অঞ্চলৰ শ্বহীদ মণিৰাম দেৱান মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তুৰাৰাম খনিকৰ উপস্থিত থাকে। আমি নিমিত্তহে মাত্ৰ। পিতৃ-মাতৃৰ মাধ্যমেৰে আমি জীৱন লাভ কৰিছো। ৮৪ লক্ষ জনমৰ পিছতহে মনুষ্য জনম লাভ কৰা যায়। মোৰ ওপজা দিনটোত শিৱসাগৰ জিলাৰ চাৰিংবাসীয়ে মোৰ বাবে যি আয়োজন কৰিছে তাৰ বাবে মই তেওঁলোকৰ ওচৰত নথৈ কৃতজ্ঞ। মোৰ বাবে আজি তেওঁলোকে যিখিনি কৰিছে সেইখিনিয়ে আমাক উৎসাহিত কৰিব। সংবাদ মাধ্যমৰ আগত এইদৰে কয় ড° পীতাম্বৰ দেৱগোস্বামীয়ে। জন্ম দিৱসত সত্ৰাধিকাৰগৰাকীক বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে সম্বৰ্ধনা জ্ঞাপন কৰে। সমান্তৰালভাৱে চাৰিং দুৰৰাপাৰ বৰনামঘৰৰ বাটচ'ৰা উদ্বোধন কৰে সত্ৰাধিকাৰগৰাকীয়ে। দিহানাম সম্ৰাট কমলা গগৈয়ে সত্ৰাধিকাৰগৰাকীক লৈ ৰচা দিহানামেৰে জন্মদিনৰ শুভেচ্ছা জনায়।

## ২০২৬ চনৰ ভিতৰত ডেলিভাৰী সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা

# শীঘ্ৰেই ৰাছিয়াৰপৰা ভাৰত পাব ‘সুদৰ্শন চক্ৰ’ৰ দুটা নতুন ইউনিট

**নতুন দিল্লী, ৩ জুন:** সোমবাৰে ভাৰতত মস্কো মিছন বিভাগৰ উপ মুৰব্বী ৰোমান বাবুস্কিনে কয় যে ভাৰতে ২০২৫-২০২৬ চনৰ ভিতৰত এছ-৪০০ এয়াৰ ডিফেন্স চিষ্টেমৰ বাকী থকা ইউনিটসমূহ ৰাছিয়াৰ পৰা লাভ কৰিব। বাবুস্কিনে নিশ্চিত কৰে যে বাকী দুটা এছ-৪০০ ইউনিটৰ চুক্তি ট্ৰেকত আছে, ৰাজহুৱাভাৱে ঘোষণা কৰা সময়সীমাৰ সৈতে সংগতি ৰাখি ২০২৫-২৬ চনৰ ভিতৰত ডেলিভাৰী সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে। তেওঁ লগতে কয় যে শেহতীয়াকৈ ভাৰত-পাকিস্তানৰ উত্তেজনাৰ সময়ত এছ-৪০০ বায়ু প্ৰতিৰক্ষা ব্যৱস্থাই “অতি কাৰ্যক্ষমভাৱে” কাম কৰিছিল। বাবুস্কিনে কয় যে, "আমি শুনিছিলো যে ভাৰত আৰু পাকিস্তানৰ পৰিস্থিতিৰ সময়ত এছ-৪০০য়ে অতি কাৰ্যক্ষমভাৱে কাম কৰিছিল। উল্লেখ্য যে, ভাৰতে এছ-৪০০ ট্ৰাইমফ মিছাইল চিষ্টেমৰ পাঁচটা স্কোৱাড্ৰনৰ বাবে ২০১৮ চনত ৰাছিয়াৰ সৈতে ৫.৪৩ বিলিয়ন মাৰ্কিন ডলাৰৰ চুক্তিত স্বাক্ষৰ কৰিছিল। ই এটা অত্যাধুনিক এয়াৰ ডিফেন্স প্লেটফৰ্ম যিয়ে বহু দূৰৈৰপৰাই শত্ৰুৱে নিক্ষেপ কৰা একাধিক আকাশী আক্ৰমণৰ সন্মুখীন হ’ব পাৰে। ইতিমধ্যে তিনিটা স্কোৱাড্ৰন ভাৰতত ডেলিভাৰী কৰা হৈছে। ভাৰতত পুনৰ “সুদৰ্শন চক্ৰ” নামেৰে নামাকৰণ কৰা এছ-৪০০ এয়াৰ ডিফেন্স চিষ্টেমে মিছাইল আৰু ড্ৰ’ন ধৰা পেলাবলৈ আৰু ধ্বংস কৰিবলৈ সক্ষম। শেহতীয়াকৈ ভাৰত আৰু পাকিস্তানৰ মাজত উত্তেজনাৰ মাজতে এছ-৪০০ ব্যৱস্থাই অপাৰেচন চিন্দুৰৰ প্ৰতিশোধ হিচাপে পাকিস্তানে নিক্ষেপ কৰা ড্ৰ’নসমূহক সফলতাৰে নিষ্ক্ৰিয় কৰি পেলাইছিল। ইফালে বাবুস্কিনে বায়ু প্ৰতিৰক্ষা আৰু ড্ৰোন বিৰোধী ব্যৱস্থাৰ ক্ষেত্ৰত দ্বিপাক্ষিক সহযোগিতা সম্প্ৰসাৰণৰো ইংগিতো দিছে। তেওঁ কয় যে বায়ু প্ৰতিৰক্ষা ব্যৱস্থাৰ সম্প্ৰসাৰণৰ আলোচনাৰ বাবে আমি আগ্ৰহী।’ আঞ্চলিক ভাবুকি, বিশেষকৈ সীমা অতিক্ৰম কৰি চলি থকা সংঘৰ্ষৰ সময়ত ড্ৰ’নৰ ব্যৱহাৰ বৃদ্ধি পোৱাৰ মাজতে বাবুস্কিনৰ এই মন্তব্যই যথেষ্ট তাৎপৰ্য বহন কৰিছে। বাবুস্কিনে ৰাছিয়াৰ বৈদেশিক মন্ত্ৰী চাৰ্গেই লাভৰভৰ ভাৰত ভ্ৰমণৰ সম্ভাৱনাৰ বিষয়েও কয়।



ৰাছিয়াৰ এয়াৰ ষ্ট্ৰাইকৰ পাছত ধ্বস্তুপৰ মাজত ঘৰুৱা সামগ্ৰী বিচাৰি ইউক্ৰেইনৰ নাগৰিক, ফটো, মঙলবাৰৰ



# ভাৰতক ভাবুকি দিয়া পাক সন্ত্ৰাসবাদীৰ মৃতদেহ উদ্ধাৰ

**নতুন দিল্লী, ৩ জুন:** পাকিস্তানৰ বাহাৱালপুৰত ৰহস্যজনক পৰিস্থিতিত মৃত অৱস্থাত উদ্ধাৰ হয় মৌলানা আব্দুল আজিজ নামৰ এজন সন্ত্ৰাসবাদী মৌলানা আব্দুল আজিজ। আব্দুল আজিজে যোৱা মাহত ভাৰতৰ বিৰুদ্ধে ভাবুকি জাৰি কৰাৰ পাছত বাতৰিৰ শিৰোনাম দখল কৰিছিল। ভাৰতৰ সম্ভাব্য "বাল্কানাইজেচন"ৰ ভাবুকি দিছিল — যিটো শব্দ এখন দেশক সৰু, শত্ৰুতাপূৰ্ণ অঞ্চলত বিভক্ত কৰাৰ বাবে ব্যৱহাৰ কৰা হয়। জেইএমৰ সৈতে জড়িত ছ'চিয়েল মিডিয়া একাউণ্টে তেওঁৰ মৃত্যু নিশ্চিত কৰি তেওঁৰ শেষকৃত্য বাহাৱালপুৰত অনুষ্ঠিত হ’ব বুলি ঘোষণা কৰাৰ বিপৰীতে পাকিস্তানী কৰ্তৃপক্ষ আৰু জেএইএমৰ শীৰ্ষ নেতৃত্বই এতিয়াও এই কাণ্ড আনুষ্ঠানিকভাৱে স্বীকাৰ কৰা নাই। ইয়াৰ ফলত আজিজৰ মৃত্যু নিশ্চিত নে কেৱল অনলাইনত প্ৰচাৰিত উৰাবাতৰিৰ সৃষ্টি হৈছে সেই লৈ বিভ্ৰান্তিৰ সৃষ্টি হৈছে। উল্লেখ্য যে অপাৰেচন সিন্দুৰৰ সময়ত ভাৰতে লক্ষ্য কৰি লোৱা নটা স্থানৰ ভিতৰত বাহাৱালপুৰ অন্যতম। সন্ত্ৰাসবাদীৰ ওপৰত আক্ৰমণৰ সময়ত বাল্কন উপদ্বীপৰ ঐতিহাসিক বিভাজনৰ পৰা "বাল্কানাইজেচন" শব্দটোৰ উৎপত্তি হৈছে আৰু ই সাধাৰণতে জাতিগত, ধৰ্মীয় বা ৰাজনৈতিক বিভাজনৰ সৈতে জড়িত।

# ৰাছিয়াৰ আক্ৰমণত ইউক্ৰেইনত ৩ জনৰ মৃত্যু, বৃথা হ’ল আলোচনা

**কিয়েভ, ৩ জুন:** মঙলবাৰে ইউক্ৰেইনৰ চুমি চহৰক লক্ষ্য কৰি ৰাছিয়াৰ আক্ৰমণত কমেও তিনিজন লোকৰ মৃত্যু হোৱাৰ লগতে বহু লোক আহত হোৱা বুলি জানিব পৰা গৈছে। ইউক্ৰেইনৰ ভ’ল’ডিমিৰ জেলেনস্কিয়ে এই আক্ৰমণক ধিক্কাৰ দি কয় যে ইয়াৰ দ্বাৰা এই কথাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে যে মস্কোৰ তিনি বছৰীয়া যুদ্ধ বন্ধ কৰাৰ কোনো উদ্দেশ্য নাই। চুমিত স্থানীয় কৰ্তৃপক্ষই জনোৱা মতে, ৩ বছৰীয়া যুদ্ধৰ অন্ত পেলোৱাৰ ক্ষেত্ৰত প্ৰত্যক্ষ শান্তি আলোচনাই কোনো অগ্ৰগতি লাভ নকৰাৰ এদিন পিছতে চহৰখনৰ মাজমজিয়াত থকা এপাৰ্টমেণ্ট বিল্ডিং আৰু চিকিৎসালয়ত ৰকেটেৰে আঘাত কৰা হয়। সোমবাৰে ইস্তানবুলত দুয়ো পক্ষৰ প্ৰতিনিধি দলে আলোচনাত মিলিত হয় আৰু মৃত আৰু আহত সৈন্য বিনিময় কৰিবলৈ সন্মত হয় যদিও যুদ্ধৰ অন্ত পেলোৱাৰ বাবে তেওঁলোকৰ প্ৰচেষ্টা বহু দূৰৈত আছে।


# ভূমিস্খলনত আবদ্ধ উদ্ধাৰকাৰী হেলিকপ্টাৰ, ছিকিমত ভয়াৱহতা


**ডাৰ্জিলিং, ৩ জুন:** ছিকিমৰ মগান জিলাৰ ছাটেন আৰু লাচেন গাঁৱৰ পৰা ৩৪ জন লোকক উদ্ধাৰ কৰা দুখন মি-১৭ ভি৫ হেলিকপ্টাৰে ১ জুনত হোৱা বৃহৎ ভূমিস্খলনৰ ফলত পথৰ যাতায়ত স্তব্ধ হৈ পৰে। আবদ্ধ হৈ থকা প্ৰথমটো দলে পাকয়ং গ্ৰীনফিল্ড বিমানবন্দৰত নিৰাপদে অৱতৰণ কৰে। উদ্ধাৰ কৰাসকলৰ ভিতৰত বৰ্তমান চিকিৎসাধীন হৈ থকা আহত সেনা জোৱান, তেওঁলোকৰ পৰিয়ালৰ সদস্য, পৰ্যটক আদিও আছে। হেলিকপ্টাৰেৰে প্ৰথম ছৰ্টীত উত্তৰ ছিকিমত উদ্ধাৰত সহায় কৰিবলৈ এনডিআৰএফৰ ৩০ জন জোৱান কঢ়িয়াই নিছিল। এই দলসমূহ ছেটেলাইট ফোন আৰু অন্যান্য জৰুৰীকালীন সামগ্ৰীৰে সজ্জিত। ছিকিম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ সঞ্চালক প্ৰভাকৰ ৰাইৰ মতে, এতিয়াও লাচেনত আবদ্ধ হৈ আছে ১১২জন পৰ্যটক।

## কেৰালাত বাধ্যতামূলক মাস্ক

**তিৰুৱনন্তপুৰম, ৩ জুন:** ৮ জনৰ মৃত্যুৰ সৈতে মুঠ ক’ভিড আক্ৰান্তৰ সংখ্যা ১৪০০ অতিক্ৰম কৰি কৰাৰ লগে লগে কেৰেলাৰ স্বাস্থ্য বিভাগে নতুন নিৰ্দেশনা জাৰি কৰিছে। জনবহুল বা ৰাজহুৱা স্থানত মাস্ক ব্যৱহাৰ পুনৰ আৰম্ভ কৰিবলৈ জনসাধাৰণক আহ্বান জনোৱা হৈছে। ৰোগৰ অধিক আশংকা থকা লোক, যেনে বৃদ্ধ, গৰ্ভৱতী মহিলা, দীৰ্ঘদিনীয়া ৰোগত আক্ৰান্ত লোকৰ বাবে বিভাগটোৱে মাস্ক পৰিধান কৰাটো বাধ্যতামূলক কৰিছে। কোভিড ৰোগীক আইছ’লেশ্যন ৱাৰ্ডত ৰাখিবলৈ নিৰ্দেশনা দিছে।

# ১৭ বছৰীয়া টিকটক ইনফ্লুৱেঞ্চাৰক গুলীয়াই হত্যা





**ইছলামবাদ, ৩ জুন:** জন্মদিন উদযাপনৰ ভিডিঅ’ অনলাইনত পোষ্ট কৰাৰ মাত্ৰ কেইঘণ্টামানৰ পাছতে ইছলামবাদৰ বাসগৃহত গুলীচালনা কৰি হত্যা কৰা হয় এগৰাকী ১৭ বছৰীয়া টিকটক ইনফ্লুৱেঞ্চাৰ ছানা ইউছাফক। পাকিস্তানী সংবাদ মাধ্যমৰ বাতৰি অনুসৰি সোমবাৰে গভীৰ নিশা চুম্বাল থানাৰ অধীনস্থ ছেক্টৰ জি-১৩ৰ তেওঁৰ ঘৰত সংঘটিত হয় এই গুলীচালনা। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, এজন অচিনাকি আক্ৰমণকাৰীয়ে ওচৰৰ পৰা গুলীচালনা কৰিছিল ছানাক। আক্ৰমণৰ সময়ত সন্দেহযুক্ত আক্ৰমণকাৰীজন ঘৰটোত অতিথি হিচাপে আছিল বুলিও কোনো কোনো সূত্ৰত প্ৰকাশ। হত্যাৰ আঁৰৰ উদ্দেশ্য এতিয়াও স্পষ্ট হোৱা নাই।

# লৰেঞ্চ বিষ্ণইৰ সৈতে সম্পৰ্কৰ সন্দেহত ঢেকীয়াজুলিৰ ছাত্ৰক গ্ৰেপ্তাৰ মুম্বাই আৰক্ষীৰ

## কণ্ঠশিল্পী এমিয়ে বণ্টাইক ১ কোটি টকা দাবীৰ অভিযোগ

**ই-সংবাদ, ঢেকীয়াজুলি, ৩ জুনঃ** শোণিতপুৰ জিলাৰ শ্বহীদ নগৰী ঢেকীয়াজুলিৰ এজন ছাত্ৰ অৰুণাভ হালৈক কুখ্যাত মাফিয়া লৰেঞ্চ বিষ্ণই আৰু তেওঁৰ সহযোগী ৰোহিত গদ্দৰৰ সৈতে সম্পৰ্ক থকাৰ সন্দেহত মুম্বাই আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। ঢেকীয়াজুলি ৰাজহ চক্ৰৰ ভালুকধৰাৰ নিজ বাসগৃহৰ পৰা গ্ৰেপ্তাৰ কৰা ধৃত এই ছাত্ৰৰ বয়স আনুমানিক ১৮ বছৰ বুলি জানিব পৰা গৈছে। এই ঘটনাই স্থানীয় লোকৰ মাজত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে আৰু একাংশই এই যুৱকৰ এনে কাৰ্যকলাপৰ পিছত মোবাইলৰ অপব্যৱহাৰক দায়ী কৰিছে। অৰ্ণবৰ পৰিয়াল আৰু ওচৰ-চুবুৰীয়াৰ মতে তেওঁ এজন অমায়িক আৰু পঢ়া-শুনাৰ প্ৰতি আগ্ৰহী ছাত্ৰ। তেনে এজন যুৱকৰ কুখ্যাত গেংষ্টাৰৰ সৈতে কেনেকৈ সম্পৰ্ক স্থাপন হ'ল, তাকে লৈ সকলোৰে মনত প্ৰশ্নৰ সৃষ্টি হৈছে। জানিব পৰা মতে, মুম্বাই আৰক্ষীয়ে লৰেঞ্চ বিষ্ণইৰ অপৰাধী নেটৱৰ্কৰ তদন্তৰ অংশ হিচাপে অৰুণাভ হালৈক গ্ৰেপ্তাৰ কৰিছে। বিষ্ণইৰ গেংটোৱে দেশৰ বিভিন্ন ঠাইত চান্দাবাজি, ভয়-ভাবুকি প্ৰদৰ্শন আৰু অন্যান্য অপৰাধৰ সৈতে জড়িত বুলি অভিযোগ আছে। অৰুণাভৰ গ্ৰেপ্তাৰৰ পিছত স্থানীয় লোকৰ মাজত আলোচনা চলিছে যে তেওঁ হয়তো অজানিতে বা কোনো প্ৰলোভনত পৰি এই নেটৱৰ্কৰ সৈতে জড়িত হৈ পৰিছিল। কিছুমানে সামাজিক মাধ্যমৰ অপব্যৱহাৰ বা অনলাইন প্লেটফৰ্মৰ জৰিয়তে অপৰাধীৰ সৈতে সম্পৰ্ক স্থাপনৰ সম্ভাৱনাৰ কথাও উল্লেখ কৰিছে। এক চাঞ্চল্যকৰ তথ্যত প্ৰকাশ পাইছে যে কণ্ঠশিল্পী এমিয়ে বণ্টাইয়ে অৰুণাভৰ সৈতে জড়িত এটা ঘটনাত এক কোটি টকাৰ দাবীৰ অভিযোগ উত্থাপন কৰিছিল। এই অভিযোগৰ সত্যাসত্য এতিয়াও তদন্তৰ পৰ্যায়ত আছে, কিন্তু ইয়াৰ ফলত অৰুণাভৰ গ্ৰেপ্তাৰৰ বিষয়টোৱে অধিক জটিলতা লাভ কৰিছে। আৰক্ষীৰ তদন্তত এইটোও পৰীক্ষা কৰা হৈছে যে অৰুণাভৰ মোবাইলৰ জৰিয়তে কোনো গোপনীয় তথ্য বিনিময় বা অপৰাধমূলক কাৰ্যকলাপৰ সৈতে জড়িত থকাৰ সম্ভাৱনা আছে নেকি? এই ঘটনাই ঢেকীয়াজুলিৰ স্থানীয় সমাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অৰুণাভৰ পৰিয়ালে এই বিষয়ত মুখ খুলিবলৈ অস্বীকাৰ কৰিছে আৰু তেওঁলোকে তেওঁৰ নিৰ্দোষিতাৰ কথা দাবী কৰিছে। স্থানীয় লোকে এই ঘটনাক যুৱ সমাজৰ বাবে এক সতৰ্কবাণী হিচাপে গণ্য কৰিছে, বিশেষকৈ সামাজিক মাধ্যম আৰু ইণ্টাৰনেটৰ অপব্যৱহাৰৰ ক্ষেত্ৰত। আৰক্ষীৰ তদন্তৰ পৰৱৰ্তী পৰ্যায়ত অৰুণাভৰ ভূমিকা আৰু এই গোটেই ঘটনাৰ পিছৰ সত্যতা পোহৰলৈ আহিব বুলি আশা কৰা হৈছে।

# আৰোহণ আঁচনিৰ অধীনত কামৰূপ জিলাৰ ২৬৭ ছাত্ৰ-ছাত্ৰীক টেবলেট পিচি বিতৰণ

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ৩ জুনঃ** ৰাজ্য চৰকাৰৰ আৰোহণ আঁচনিৰ অধীনত আজি কামৰূপৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এক অনুষ্ঠানত কামৰূপ জিলাৰ ২০২৪-২৫ বৰ্ষৰ ২৬৭ গৰাকী দশম শ্ৰেণীৰ মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীক টেবলেট পিচি প্ৰদান কৰা হয়। উল্লেখ্য যে ২০২৪-২৫ বৰ্ষত দশম শ্ৰেণীত থকা এই ছাত্ৰ-ছাত্ৰীসকল চলিত বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হৈছে। কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই কামৰূপ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তপন কলিতা আৰু অন্যান্য শিক্ষা বিভাগৰ বিষয়াসকলৰ উপস্থিতিত আজি আনুষ্ঠানিকভাৱে এই টেবলেট পিচিসমূহ বিতৰণ কৰে। টেবলেট পিচিসমূহ বিতৰণ কৰি প্ৰদান কৰা ভাষণত জিলা আয়ুক্তগৰাকীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ শিক্ষাগ্ৰহণৰ এই সময়ছোৱা ছাত্ৰ জীৱনৰ অতিকৈ গুৰুত্বপূৰ্ণ সময় বুলি অভিহিত কৰি এক সফল কেৰিয়াৰ গঢ়াৰ বাবে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীকে এই সময়ছোৱাত সম্পূৰ্ণৰূপে অধ্যয়নত মনোনিবেশ কৰিবলৈ আহ্বান জনায়। জিলা আয়ুক্তগৰাকীয়ে লগতে উল্লেখ কৰে যে নিজকে জীৱনত সফলৰূপে প্ৰতিষ্ঠা কৰাৰ বাবে বা আত্মনিৰ্ভৰশীল হোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ বাবে এক সঠিক কেৰিয়াৰ বাছনি কৰাটো অতি প্ৰয়োজনীয়। এইক্ষেত্ৰত এগৰাকী ছাত্ৰ বা ছাত্ৰীৰ ৰাপ অনুযায়ী উপযুক্ত কেৰিয়াৰ বাছনিত অভিভাৱক বা শিক্ষকসকলেও ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰিব লাগিব। তেওঁ সফলতা লাভৰ বাবে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীকে পাঠ্যপুথিসমূহ খৰচী মাৰি পঢ়াৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। উল্লেখ্য যে 'আৰোহণ' আঁচনি হৈছে মেধাৱী ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা এক বিশেষ কাৰ্যসূচী। এই কাৰ্যসূচীৰ জৰিয়তে ১৩ ৰ পৰা ১৮ বছৰ বয়সৰ নৱম মানৰ পৰা দ্বাদশ মানত অধ্যয়নৰত মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক মেণ্টি হিচাপে লৈ এগৰাকী মেণ্টৰ বা পৰামৰ্শদাতাৰ সহায়েৰে তেওঁলোকৰ শৈক্ষিক আৰু বৌদ্ধিক উৎকৰ্ষ সাধনেৰে কেৰিয়াৰৰ পথ প্ৰদৰ্শনৰ বাবে প্ৰয়াস কৰা হৈছে। উল্লেখ্য যে ২০২৪-২৫ বৰ্ষত কামৰূপ জিলাৰ মুঠ ২৭৩ গৰাকী দশম মানৰ ছাত্ৰ-ছাত্ৰী আৰোহণ আঁচনিৰ অধীনত অন্তৰ্ভুক্ত কৰা হৈছিল। যাৰ ভিতৰত ২৭২ গৰাকীয়ে চলিত বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হয় আৰু ইয়াৰে ২৬৭ গৰাকীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হয়। সমগ্ৰ শিক্ষা অসমে ৰূপায়ণ কৰা আৰোহণ আঁচনিৰ অধীনত দ্বাদশ মান পৰ্যন্ত এইসকল মেণ্টি (ছাত্ৰ-ছাত্ৰী)ক তেওঁলোকৰ মেণ্টৰসকলে প্ৰয়োজনীয় পৰামৰ্শ তথা সহায় প্ৰদান কৰি থাকিব। আজিৰ অনুষ্ঠানত সমগ্ৰ শিক্ষা কামৰূপৰ জিলা আঁচনি বিষয়া ফুলপাহি নাথো উপস্থিত থাকে।

# বৈদ্যগড়ত কৃষ্ণগুৰু আৱিৰ্ভাৱ উৎসৱ উদযাপন

**ই-সংবাদ, ৰঙিয়া, ৩ জুনঃ** ৰঙিয়াৰ বৈদ্যগড়ত আজি ৯১ সংখ্যক কৃষ্ণগুৰু আৱিৰ্ভাৱ উৎসৱ উদযাপন কৰা হয়। স্থানীয় তৰণীস্থিত কৃষ্ণগুৰু শাখা সেৱাশ্ৰম প্ৰাংগণত তদুপলক্ষে দিনজোৰাকৈ ৰূপায়ণ কৰা হয় বিস্তৃত কাৰ্যসূচী। পুৱা ৫ বজাত শ্ৰীমদ্ভাগৱত সাৰ স্থাপন কৰাৰ পিছতে অমৃত বাণী, গুৰুবাণী, গুৰুলীলামালা পাঠ কৰা হয়। ৬ বজাৰ পৰা অনুষ্ঠিত কৰা হয় ১২ ঘণ্টীয়া কৃষ্ণগুৰু একনাম অখণ্ড কীৰ্তন। ইফালে সমাগত বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি দিনৰ ভাগত সেৱাশ্ৰম চৌহদত গছপুলি ৰোপণ কৰা হয়। বেচৰকাৰী সংস্থা পৰমাৰ্থৰ সহযোগত ৰূপায়িত উক্ত কাৰ্যসূচীত পাণ্ডুৰী জিলা পৰিষদৰ নৱনিৰ্বাচিত সদস্য নিপন ভূঞা উপস্থিত থাকি গছপুলি ৰোপণ কৰে। মহোৎসৱৰ লগত সংগতি ৰাখি ভাৰত-ভূটান আন্তঃৰাষ্ট্ৰীয় পথত যাত্ৰীসকলৰ মাজত পায়স বিতৰণ কৰা হয়। ৰঙিয়াৰ ভিন্ন প্ৰান্তৰ পৰা আধ্যাত্মিক কাৰ্যসূচীত অংশগ্ৰহণ কৰা সহস্ৰাধিক ভক্তৰ মাজত সিদ্ধান্ন বিতৰণ কৰা হয়। সন্ধিয়া ৬ বজাত কৃষ্ণগুৰু ঘোষাৰে একনাম অখণ্ড কীৰ্তনৰ পৰিসমাপ্তি ঘটে। আনহাতে অনুষ্ঠানৰ লগত সংগতি ৰাখি ৯১ গছি বন্তি প্ৰজ্বলন কৰা হয়।

# ৰঙিয়াত পুখুৰীত গা ধুবলৈ গৈ মৃত্যুক সাবটিলে যুৱকে

**ই-সংবাদ, ৰঙিয়া, ৩ জুনঃ** ৰঙিয়াৰ বালিসত্ৰত আজি বিয়লি পুখুৰীত গা ধুবলৈ গৈ এজন যুৱকে মৃত্যুক সাবটি লোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰে। স্থানীয় ৩০ বছৰীয়া মিন্টু নমঃশূদ্ৰ নামৰ যুৱকজনে লগৰীয়াৰ সৈতে পুখুৰীত গা ধুই থকা অৱস্থাত সন্ধানহীন হৈ পৰে। লগে লগে স্থানীয় ৰাইজে উদ্ধাৰৰ চেষ্টা চলায় যদিও উদ্ধাৰ কৰিবলৈ সক্ষম নহ'ল। পিছত এছ ডি আৰ এফৰ সহযোগত মৃত অৱস্থাত উদ্ধাৰ কৰিবলৈ সক্ষম হয়। এই ঘটনাৰ পিছতে সমগ্ৰ অঞ্চলটোত শোকাকুল পৰিৱেশে বিৰাজ কৰে।

# খোৱাঙত বানে উটুৱাই নিলে ৰিংবান্ধ

**ই-সংবাদ, ডিব্ৰুগড়, ৩ জুনঃ** জেঠমহীয়া বানে এতিয়া ৰাজ্যৰ প্ৰায় সকলো জিলাতে কম-বেছি পৰিমাণে ভয়াৱহ ৰূপ ধাৰণ কৰি স্বাভাৱিক জনজীৱন স্তব্ধ কৰি পেলাইছে। যোৱা দুই-তিনিদিন ধৰি হৈ থকা ধাৰাসাৰ বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰকে ধৰি উজনিৰো প্ৰায় প্ৰতিখন নৈ-উপনৈৰেই পানী ওফন্দি উঠিছে। সমান্তৰালভাৱে খোৱাং বিধানসভা সমষ্টিৰ কোটোহা পঞ্চায়তৰ অন্তৰ্গত ভগামুৰ ব্লক গাঁৱৰ ৰিংবান্ধৰ এটা অংশ বুঢ়ীদিহিঙৰ বানে উটুৱাই নিয়ে। নৈখনৰ বাঢ়নী পানীত অঞ্চলটোৰ বহু কৃষকৰ পশুধনৰ লগতে শালি খেতিৰ কঠীয়া পানীত ডুব যোৱাত মূৰে-কপালে হাত দিব লগাৰ দৰে পৰিস্থিতিৰ সৃষ্টি হৈছে। জলমগ্ন হৈ থকা অঞ্চলটোৰ বানত ক্ষতিগ্ৰস্ত লোকৰ কাষত খোৱাং সমষ্টিৰ উদীয়মান যুৱ নেতা অসীম হাজৰিকাই খবৰ পোৱাত তাৎক্ষণিকভাৱে উক্ত স্থানত উপস্থিত হৈ স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰি পৰিস্থিতি সন্দৰ্ভত বুজ লয়। লগতে সষ্টম কৰি ৰখা অস্থায়ী শিবিৰ সম্পৰ্কে জিলা প্ৰশাসন আৰু জলসম্পদ বিভাগৰ বিষয়াসকলৰ সৈতে বাৰ্তালাপ কৰে আৰু শিবিৰসমূহ পৰিদৰ্শন কৰি বানপীড়িত ৰাইজক সকলো প্ৰয়োজনীয় সাহায্য তথা সহায়-সহযোগিতাৰ আশ্বাস প্ৰদান কৰে।



কলগাছিয়াৰ হালধীয়া পাথাৰ গাঁৱৰ দুৰ্ঘটনাগ্ৰস্ত বাছখন

# গোলকগঞ্জ থানাৰ অন্তৰ্গত গোৰ ঝাপুচাবাৰীত তিনিটা চোৰাং গৰু জব্দ

## সীমান্তত সহস্ৰাধিক গো-ধন জমা কৰি ৰখাৰ সন্দেহ

**ই-সংবাদ, গোলকগঞ্জ, ৩ জুনঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত অসম-পশ্চিমবংগ সীমান্তৰ গোৰ ঝাপুচাবাৰী আৰক্ষীয়ে যোৱানিশা আঠ বজাত ঝাপুচাবাৰী চতুৰ্থ খণ্ড গাঁৱৰ পৰা তিনিটা চোৰাং গৰু জব্দ কৰে। জানিব পৰা মতে, আগন্তুক ঈদ-উল-আজহা উপলক্ষে বাংলাদেশত গো-ধনৰ চাহিদা বৃদ্ধি পাইছে। যাৰ বাবে গৰুৰ চোৰাং বেপাৰীসকল অধিক তৎপৰ হৈ পৰিছে। যোৱা নিশা পশ্চিমবংগৰ পৰা গৰু লৈ পথাৰৰ মাজেৰে ঝাপুচাবাৰী হৈ অসমত প্ৰৱেশ কৰে। ঝাপুচাবাৰী নিৰীক্ষণ চকীৰ আৰক্ষীৰ গোপন খবৰৰ ভিত্তিত পথাৰৰ মাজৰ পৰা গৰু তিনিটা জব্দ কৰে। আৰক্ষী ঘটনাস্থলীত উপস্থিত হোৱাৰ পূৰ্বেই চোৰাং বেপাৰীয়ে পলায়ন কৰে। গৰুসমূহ গ্ৰামাঞ্চলৰ বিভিন্ন পথেৰে অসমত প্ৰৱেশ কৰি বিভিন্নজনৰ ঘৰত গোপনে ৰাখে। তাৰ পৰা এজনে এটাকৈ গৰু পথৰ কাষত ঘাঁহ খুৱাৰ অচিলাৰে লাহে লাহে খোজকঢ়াই নি গন্তব্য স্থানত উপস্থিত কৰে। এনেকৈ ঝাপুচাবাৰী সত্ৰশাল ঝসকাল হৈ গৈ থকা পৰিলক্ষিত হৈছে। আনহাতে, আন একাংশই হালাকুৰা, ছাগলীয়া আৰু ছোটোগুমা আৰক্ষী চকী এলেকাৰে প্ৰৱেশ কৰি ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথ ব্যৱহাৰ নকৰি গংগাধৰ নদীৰ কাষেৰে খোজকঢ়াই নিয়ে। ছেগ বুজি গংগাধৰ পাৰ কৰি মটৰঝাৰ অঞ্চলেৰে সাহেবগঞ্জ হৈ গৌৰীপুৰলৈ চালান কৰে। গৌৰীপুৰত বিভিন্ন স্থানত গোপনে ৰাখি নদীপথত উন্মুক্ত সীমান্তৰ সুযোগ লৈ বাংলাদেশলৈ প্ৰেৰণ কৰে। আগন্তুক ঈদৰ প্ৰতি লক্ষ্য ৰাখি অসম-পশ্চিমবংগ সীমান্তত বাহৰ পাতিছে গৌৰীপুৰ, ধুবুৰী, আলমগঞ্জ, ধৰ্মশালা আদি অঞ্চলৰ গো-ধনৰ চোৰাং বেপাৰী। পশ্চিমবংগ, বিহাৰ, ৰাজস্থান আদি ৰাজ্যৰ পৰা গৰু ক্ৰয় কৰি আনি সীমান্তৰ বংগ খণ্ডৰ বিভিন্ন ঘৰ, জংঘল, বাঁহনি আদিত গৰুসমূহ ৰাখিছে। সকলোৰে লক্ষ্য যোৱা বছৰৰ দৰে ঈদৰ দুদিন পূৰ্বে আৰক্ষী-প্ৰশাসন এইক্ষেত্ৰত কিছু শিথিল হ'ব আৰু সেই সুযোগতেই লক্ষাধিক গৰু অসমত প্ৰৱেশ কৰাব। অৱশ্যে তাৰমাজতে ছেগ বুজি বিশেষ কৌশলেৰে গৰু পাৰ কৰি আছে।

# আৰক্ষীৰ জালত হাতীধুৰা মহাবিদ্যালয়ৰ চুৰি-কাণ্ডৰ খলনায়ক



**ই-সংবাদ, তামাৰহাট, ৩ জুনঃ** তামাৰহাটৰ হাতীধুৰা মহাবিদ্যালয়ৰ চুৰি কাণ্ডৰ মূল খলনায়ক আৰক্ষীৰ জালত। দেওবাৰে নিশা মহাবিদ্যালয়খনৰ গ্ৰীল আৰু চিচি টিভি কেমেৰা ভাঙি চোৰে নিছিল ৯ টাকৈ ছ'লাৰ বেটাৰী। ঘটনা সংক্ৰান্তত মহাবিদ্যালয় কৰ্তৃপক্ষই সোমবাৰে তামাৰহাট থানাত এখন এজাহাৰ দাখিল কৰে। এজাহাৰ দিয়াৰ ২৪ ঘন্টাৰ ভিতৰত তামাৰহাট আৰক্ষীয়ে অভিযান চলাই চোৰটোক আটক কৰিবলৈ সক্ষম হয়। আনকি ধৃত চোৰটোৰ স্বীকাৰোক্তিত চুৰি হোৱা বেটাৰীসমূহ হাতীধুৰা মহাবিদ্যালয়ৰ পিছফালৰ তামা নৈৰ পৰা উদ্ধাৰ কৰে আৰক্ষীয়ে। ধৃত চোৰটো তালোৱা গাঁৱৰ আব্বাছ আলী ওৰফে বাচ্চু। চোৰটোৰ লগত এক ডাঙৰ চক্ৰ জড়িত থকাৰ সন্দেহ কৰিছে স্থানীয় ৰাইজে। তামাৰহাট আৰক্ষীয়ে অধিক তথ্যৰ বাবে চোৰটোক সোধা-পোছা অব্যাহত ৰাখিছে। হাতীধুৰা মহাবিদ্যালয়ৰ অধ্যক্ষৰ উপস্থিতিত জব্দকৃত বেটাৰীসমূহ আৰক্ষীয়ে তামাৰহাট থানালৈ লৈ যায়। উল্লেখ্য যে পূৰ্বেও মহাবিদ্যালয়খনত দুবাৰকৈ চুৰি কাণ্ড সংঘটিত হৈছিল।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# পাচনীয়াত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত জাহ যোৱাৰ উপক্ৰম জলজীৱন মিছনৰ আঁচনি

**ই-সংবাদ, অভয়াপুৰী, ৩ জুনঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী সম-জিলাৰ অন্তৰ্গত পাচনীয়াত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াই বিধ্বংসী ৰূপ লোৱাত হাহাকাৰৰ সৃষ্টি হৈছে নৈপৰীয়াৰ মাজত। বিগত সময়ছোৱাত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ তৰিৎ গতিত বৃদ্ধি হোৱাৰ সমান্তৰালকৈ খহনীয়ায়ো ৰুদ্ৰ ৰূপ ল'বলৈ লৈছে। ইতিমধ্যে পাচনীয়াৰ মোহনপুৰ গাঁৱৰ মহামায়া পাহাৰ অঞ্চলত কেইবাটাও পৰিয়ালৰ ঘৰ-বাৰী উছন হোৱাৰ লগতে বহু পৰিয়ালৰ ভেটিমাটি-ঘৰবাৰী উচন হোৱাৰ উপক্ৰম হৈছে। তদুপৰি নৈৰ পাৰতে নতুনকৈ ৰূপায়ণ হোৱা প্ৰায় ৮০ লাখ টকীয়া জলজীৱন মিছনৰ আঁচনিখনো নৈৰ বুকুত জাহ যোৱাৰ উপক্ৰম হৈছে। আনপিনে গৰাখহনীয়া প্ৰতিৰোধৰ বাবে কিছুবছৰ পূৰ্বে ৰূপায়ণ হোৱা জলসম্পদ বিভাগৰ ৩২ কোটি টকীয়া খহনীয়া প্ৰতিৰোধ আঁচনিৰ অৱশিষ্ট হিচাপে থকা



পাৰ্কুপাইনো নৈৰ বুকুত জাহ যাবলৈ লৈছে। জানিব পৰা মতে, যোগীযোপাত নদী বন্দৰৰ ব্যৱসায় চলাই থকাৰ পিছতো পৰ্বতঝোৰা বন সংমণ্ডল বিষয়াৰ লগতে ৰূপসী, গুমাকে আদি

কৰি চাৰিজনকৈ বনাঞ্চলিক বিষয়াই নীৰৱ ভূমিকা পালন কৰা ঘটনাই সচেতন মহলক হতভম্ব কৰি তুলিছে। ইপিনে পৰ্বতঝোৰা বন সংমণ্ডল বিষয়াই যোগদান কৰাৰ পিছতে প্ৰথমে সক্ষম ভূমিকা পালন কৰা পৰিলক্ষিত হৈছিল যদিও বৰ্তমান বন সংমণ্ডল বিষয়াজনে ঠিকাদাৰৰ ভূমিকা পালন কৰাৰ ভয়াৱহ অভিযোগ উত্থাপিত হৈছে। বৰ্তমান পৰ্বতঝোৰা বন সংমণ্ডল বিষয়া কাৰ্যালয়টো দালালৰ ঘাটিত পৰিণত হৈছে বুলি জানিব পৰা গৈছে। ইপিনে আকৌ দুই-এজন কাঠ ফলা মিলৰ মালিক পক্ষই ১০ ইঞ্চিৰ অনুজ্ঞা-পত্ৰ লাভ কৰিছে যদিওঁ ডেৰ কুৰিতকৈ অধিক কাঠ ফলা মিলৰ মালিক পক্ষই বন বিভাগক বুঢ়া আঙুলি দেখুৱাই অবৈধভাৱে ২৪ ইঞ্চি ব্যৱহাৰ কৰাৰ গুৰুতৰ অভিযোগ উথাপন কৰিছে এবিএমছুৱে। সেয়ে অসম চৰকাৰ, বন মন্ত্ৰী, বিটিআৰ চীফ প্ৰমোদ বড়োৰ লগতে ভূমি ৰাজহ আৰু বন বিভাগৰ কাৰ্যবাহী

# পশ্চিম কাৰ্বি আংলং পৰিদৰ্শন মন্ত্ৰী নন্দিতা গাৰ্লোছাৰ

**ই-সংবাদ, বৈঠালাংছ', ৩ জুনঃ** অসম চৰকাৰৰ পাৰ্বত্য উন্নয়ন বিভাগ, কেবিনেট মন্ত্ৰী তথা অভিভাৱক মন্ত্ৰী নন্দিতা গাৰ্লোছাই আজি পশ্চিম কাৰ্বি আংলং জিলাৰ বানাক্ৰান্ত অঞ্চলসমূহ পৰিদৰ্শন কৰে। পুৱাৰ ভাগতে প্ৰথমতে ডংকামোকামস্থিত বন বিভাগৰ আৱৰ্ত ভৱনত উপস্থিত হৈ পশ্চিম কাৰ্বি আংলং জিলাৰ আয়ুক্ত সাৰংগপাণি শৰ্মাৰ সৈতে জিলাখনৰ প্ৰধান প্ৰধান বানপীড়িত অঞ্চলসমূহ পৰিদৰ্শন কৰি ডেৰামুখ গাঁৱত নিৰ্মাণ কৰা মথাউৰিটো পৰিদৰ্শন কৰে। উল্লেখ্য যে কপিলী নৈৰ বাঢ়নী পানীয়ে ডেৰামুখৰ মথাউৰিটো কিয় ভাঙিলে বুলি প্ৰশ্ন কৰাত জলসম্পদ সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা বিদৰ হাঞ্চেয়ে বেবেৰিবাং উত্তৰ দিয়াত উক্ত স্থানতে ধমকি দিয়ে মন্ত্ৰী নন্দিতা গাৰ্লোছাই। ইয়াৰ পিছতে বানাক্ৰান্তৰ শিবিৰ পৰিদৰ্শন কৰি বানপীড়িতৰ সমস্যাৰ বুজ লৈ থকা-খোৱাৰ বাবে পৰ্যাপ্ত সুবিধা কৰি দিয়াৰ নিৰ্দেশ দিয়ে জিলা প্ৰশাসনক। ওভতনি যাত্ৰাত পুনৰ ডংকামোকাম বন বিভাগৰ আৱৰ্ত ভৱনত উপস্থিত হয় আৰু জিলা আয়ুক্ত সাৰংগপাণি শৰ্মাই আঁত ধৰা পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। সভাত বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীৰ লগত বানাক্ৰান্ত অঞ্চলসমূহত কি কি সমস্যাৰ সৃষ্টি হ'ব পাৰে আৰু সেইবোৰৰ তাৎক্ষণিকভাৱে সমাধান কৰাৰ বাবে প্ৰতিজন বিষয়াক সক্ষম হৈ থাকিবলৈ নিৰ্দেশ দিয়ে।

# কলগাছিয়াত নিয়ন্ত্ৰণ হেৰুৱাই পুখুৰীত বাগৰিল বাছ, ৩৩ যাত্ৰী আহত

**ই-সংবাদ, কলগাছিয়া, ৩ জুনঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত হালধীয়া পাথাৰ গাঁৱত মঙলবাৰে বিয়লিত এক ভয়ংকৰ বাছ দুৰ্ঘটনা সংঘটিত হোৱাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। হালধীয়া পাথাৰ গাঁৱৰ মিলঘৰ চাৰিআলিৰ কাষত নিয়ন্ত্ৰণ হেৰুৱাই ৰাস্তাৰ কাষত থকা দ পুখুৰীত বাগৰি পৰে যাত্ৰীবাহী বাছখন। বৰপেটাৰোডৰ পৰা কলগাছিয়া অভিমুখে আহি থকা এএছ-০১চিচি-৮১৮৯ নম্বৰৰ যাত্ৰীবাহী বাছখন হালধীয়া পাথাৰ গাঁৱৰ মিলঘৰ চাৰিআলিৰ ওচৰত যান্ত্ৰিক বিজুটি ঘটি নিয়ন্ত্ৰণ হেৰুৱাই এটা দ পুখুৰীত বাগৰি পৰে। ফলত পুখুৰীৰ পানীৰ তলত সোমাই পৰে বাছখন। দুৰ্ঘটনাটো সংঘটিত হোৱাৰ লগে লগে হুৱাদুৱাৰ সৃষ্টি হয় যদিও ৰাইজৰ তৎপৰতাত পানীৰ তলৰ পৰা যাত্ৰীসকলক উদ্ধাৰ কৰা হয়। যাত্ৰীবাহী বাছখনত প্ৰায় ৪৫ জন যাত্ৰী আছিল যদিও দুৰ্ঘটনাৰ ফলত প্ৰায় ৩৩ জন যাত্ৰী আহত হয়। ইয়াৰে ১৬ জন যাত্ৰী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। আহতসকলক লগে লগে এম্বুলেন্সযোগে কলগাছিয়াত অৱস্থিত বৰপেটা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰা হয়। বাছখনত কলগাছিয়া, গুণিয়ালগুৰি, বলাইপাথাৰ, কোকিলা, খাৰবাল্লী, বালাৰপাথাৰ, আমগুৰি, সোণাইখোলা, মনাকচা, শওপুৰ, ডিমাপুৰ, বিলৰটাৰী, দেউকুৰা আদি গাঁৱৰ ৰাইজ আৰু ব্যৱসায়ীসকল আছিল বুলি জানিব পৰা গৈছে। দুৰ্ঘটনাৰ ফলত কেইবাজনো ব্যৱসায়ীৰ দোকানৰ মাল-বস্তু, নগদ ধন আদি বিনষ্ট হৈছে। ইফালে দুৰ্ঘটনা সংঘটিত কৰিয়েই চালক আৰু হেণ্ডিমেনে ঘটনাস্থলীৰ পৰা পলায়ন কৰে। দুৰ্ঘটনাত কোনো লোক নিহত হোৱাৰ খবৰ পোৱা নাই যদিও বাছখন পুখুৰীৰ পৰা উদ্ধাৰ কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে।



ধুবুৰী জিলাৰ ডিংডিংগা গাঁও পঞ্চায়তৰ নৱনিৰ্বাচিত জনপ্ৰতিনিধিয়ে হাতত কোৰ লৈ নামিল পথ মেৰামতিত

# পুৰণিগুদামৰ সৰবৰহী ব্যক্তি, অৱসৰী শিক্ষক গোলাপ চন্দ্ৰ গায়নৰ মৃত্যু

**ই-সংবাদ, পুৰণিগুদাম, ৩ জুনঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ নিকটৱৰ্তী কুৰুৱাজান গাঁৱৰ নিবাসী বিশিষ্ট সমাজকৰ্মী, ধৰ্মপ্ৰাণ ব্যক্তি, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, অসম সাহিত্য সভাৰ আজীৱন সদস্য, পুৰণিগুদাম গড়মূৰ শাখা সত্ৰ পৰিচালনা সমিতিৰ সভাপতি গোলাপ চন্দ্ৰ গায়ন (৮৪) ৰ কালি বিয়লি প্ৰায় ৫.১৫ বজাত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। জানিব পৰা মতে, উচ্চ ৰক্তচাপজনিত কাৰণত দীৰ্ঘদিনৰে পৰা তেওঁ চিকিৎসাধীন হৈ আছিল। অমায়িক আৰু সৰবৰহী স্বভাৱৰ লোকজনে শিক্ষকতাৰ সমান্তৰালকৈ বৃহত্তৰ চামগুৰি -পুৰণিগুদাম অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত আছিল। প্ৰয়াত গায়ন সাউদ ভোলানাথ বৰুৱা প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰাক্তন প্ৰধান শিক্ষক আছিল। যিগৰাকী ব্যক্তিৰ আশাশুধীয়া প্ৰচেষ্টাত সাউদ ভোলানাথ বৰুৱা প্ৰাথমিক বিদ্যালয়খন পুৰণিগুদামৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত আটকধুনীয়াকৈ নিৰ্মাণ কৰা হৈছিল। তেওঁ অসম সাহিত্য সভাৰ আজীৱন সভ্য হিচাপে থকাৰ উপৰি পুৰণিগুদাম গড়মূৰ শাখা সত্ৰৰ সভাপতি আছিল। পুৰণিগুদামৰ সমাজ-জীৱনৰ লগত জড়িত এইগৰাকী ব্যক্তিৰ মৃত্যুত বৃহত্তৰ চামগুৰি আৰু পুৰণিগুদামত শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুত পুৰণিগুদাম শতদল শাখা সাহিত্য সভা, গড়মূৰ শাখা সত্ৰ পৰিচালনা সমিতি, পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰাল, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ পুৰণিগুদাম শাখা, পুৰণিগুদাম আঞ্চলিক ছাত্ৰ সন্থা, পুৰণিগুদাম নাগৰিক সভা, টাই আহোম ছাত্ৰ সন্থাৰ পুৰণিগুদাম আঞ্চলিক সমিতি, চলচলি সাৰ্বজনীন দুৰ্গোৎসৱ উদযাপন সমিতি আদিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। তেওঁ মৃত্যুৰ সময়ত এজন পুত্ৰ, বোৱাৰী, জী-জোঁৱাই নাতি-নাতিনীসহ বহু আত্মীয়-স্বজনক সংসাৰত এৰি যায়।

# নাজিৰাত কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান

**ই-সংবাদ, গেলেকী, ৩ জুনঃ** নাজিৰা কমিউনিটী চেণ্টাৰত নাজিৰা পৌৰসভাৰ ৮ নং ৱাৰ্ডৰ সমূহ ৰাইজৰ উদ্যোগত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ ৮ নং ৱাৰ্ডৰ ছাত্ৰ-ছাত্ৰীসকলৰ অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰে। নাজিৰা নগৰৰ ৮ নং ৱাৰ্ডৰ ৱাৰ্ড কমিছনাৰ চিলমী বড়া, ৫ নং ৱাৰ্ডৰ ৱাৰ্ড কমিছনাৰ গুণ গোবিন্দ দত্ত, সংবাদকৰ্মী ভাস্কৰজ্যোতি মহন্ত অতিথি হিচাপে উপস্থিত থাকি বক্তব্য আগবঢ়ায়। নাজিৰা নগৰৰ ৮ নং ৱাৰ্ডৰ মহিলাসকলে সমৱেত সংগীত পৰিৱেশনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানটিৰ আঁত ধৰে কবি চৈয়দা চাইৰা বেগমে। ইয়াৰ পিছতেই ৮ নং ৱাৰ্ডৰ মহিলা আৰু ছাত্ৰ-ছাত্ৰীসকলে কবিতা পাঠ, গীত-নৃত্যৰে অনুষ্ঠানটি জীপাল কৰি তোলে। অনুষ্ঠানত কৃতী ছাত্ৰ-ছাত্ৰীসকলক অনুষ্ঠানিকভাৱে অভিনন্দন জ্ঞাপন কৰে।

# সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত মুখ্যমন্ত্ৰীয়ে এলাগী কৰিলে বেজেৰা সামূহিক স্বাস্থ্যকেন্দ্ৰক

**ই-সংবাদ, বাইহাটা চাৰিআলি, ৩ জুনঃ** চিকিৎসকৰ অভাৱৰ বাবে কামৰূপ জিলাৰ বেজেৰা সামূহিক স্বাস্থ্য কেন্দ্ৰত অচলাৱস্থা সৃষ্টি হোৱাৰ অভিযোগ উত্থাপিত হৈছে। ২০০৬ চনত স্থানীয় বিধায়ক ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰচেষ্টাত এফ আৰ ইউ পৰ্যায়লৈ উন্নীত হোৱা বেজেৰা সামূহিক স্বাস্থ্য কেন্দ্ৰত প্ৰতিমাহত ৩০ ৰ পৰা ৫০ গৰাকী শিশুই জন্ম লাভ কৰি আহিছে যদিও এই শিশুসকলৰ চিকিৎসাৰ বাবে নাই শিশু বিশেষজ্ঞ। যাৰ বাবে নৱজাতকসকলৰ জন্মৰ পিছত দেখা দিয়া বিভিন্ন ৰোগৰ চিকিৎসা সাধাৰণ এম বি বি এছ বা প্ৰসূতি বিভাগৰ চিকিৎসকে কৰিবলগীয়া হৈ আছে। আনহাতে মাহত চিকিৎসালয়খনলৈ অহা প্ৰায় ৩০-৪০ গৰাকী অৰ্থপেডিক্সৰ ৰোগীকো চিকিৎসকৰ অভাৱৰ বাবে ৰেফাৰ কৰিবলগীয়া হয়। বৰ্তমান কৰ্মৰত ৬ গৰাকী চিকিৎসকৰ এগৰাকী ডেণ্টেল চিকিৎসক, এগৰাকী এনাছথেছিয়ান। বাকী থকা চাৰিগৰাকীৰ তিনিগৰাকীয়ে প্ৰসূতি বিভাগৰ চিকিৎসক। তাৰে এগৰাকী উপ-অধীক্ষকৰ দায়িত্বতো আছে। চিজাৰিয়ানৰ সময়ত প্ৰসূতি বিভাগৰ চিকিৎসক দুগৰাকী যদি অপাৰেচন থিয়েটাৰত থাকিব লগা হয় তেন্তে দৈনিক ভিৰ কৰা প্ৰায় তিনি শতাধিক ৰোগীক এগৰাকী চিকিৎসকে চম্ভালিব লগা হয়। এন এইচ এমৰ তৰফৰ পৰা এবছৰীয়াকৈ গাঁৱত মকৰল (ৰুৰেল পোষ্টিং) কৰা চিকিৎসকো বিগত চাৰিবছৰে দিয়া নাই স্বাস্থ্য কেন্দ্ৰটোত। স্বয়ং মুখ্যমন্ত্ৰীৰ গৃহ সমষ্টিৰ এই চিকিৎসালয়খনত যদি নতুন চিকিৎসক নিযুক্তি দিয়া নহয় তেন্তে সাধাৰণ ৰোগীৰ বাবে থকা মাত্ৰ এজন চিকিৎসকেৰে শ শ ৰোগীক সেৱা আগবঢ়োৱা সম্ভৱ নহ'ব। বেজেৰা সামূহিক স্বাস্থ্য কেন্দ্ৰ মুখ্যমন্ত্ৰীৰ গৃহ সমষ্টিত হোৱা হেতুকে উন্নত সুবিধা লাভৰ আশাত দৰং, বাক্সাৰ পৰাও ৰোগী আহি ভিৰ কৰে এই চিকিৎসালয়ত। একাংশ ভুক্তভোগী ৰোগীয়ে সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছৰ পৰা স্থানীয় বিধায়ক তথা জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পূৰ্বৰ জালুকবাৰী সমষ্টিৰ অন্তৰ্গত বেজেৰা সামূহিক স্বাস্থ্য কেন্দ্ৰক মাহী আইৰ দৃষ্টিৰে এলাগী কৰি অহা বুলিও মন্তব্য কৰে। ভুক্তভোগী ৰোগীৰ সুৰত সুৰ মিলাই বৃহত্তৰ বেজেৰা অঞ্চলৰ একাংশ ৰাইজে বহু অনুনয়-বিনয় কৰাৰ পিছতো চিকিৎসালয়খনত পৰ্যাপ্ত চিকিৎসক নিযুক্তি দিয়া হোৱা নাই বুলি সদৰী কৰে সোণালী অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি যুৰৰাজ দাসে। ভুক্তভোগী ৰোগীসকলৰ হৈ সোণালী অসম ছাত্ৰ সন্থাই প্ৰদান কৰা এক প্ৰেছ বিবৃতিত চিকিৎসালয়খনৰ ওপৰত নিৰ্ভৰশীল বৃহত্তৰ বেজেৰা অঞ্চলৰ ৰাইজৰ সুবিধাৰ্থে বেজেৰা সামূহিক স্বাস্থ্য কেন্দ্ৰত শীঘ্ৰে প্ৰয়োজনীয় চিকিৎসক নিযুক্তি দি ৰাইজক সকাহ দিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনায়।

# হাতত কোৰ লৈ পথ মেৰামতিত নামিল পঞ্চায়ত প্ৰতিনিধি

ই-সংবাদ, তামাৰহাট, ৩ জুনঃ চৰকাৰী আঁচনিলৈ অপেক্ষা নকৰি ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত ডিংডিংগা গাঁও পঞ্চায়তৰ নৱনিৰ্বাচিত আঞ্চলিক পঞ্চায়ত সদস্য আৰু পঞ্চায়তখনৰ অন্তৰ্গত বৰজান গাঁৱৰ নৱনিৰ্বাচিত সদস্যই মিলি নিজৰ গাঁঠিৰ ধন খৰচ কৰি বৰজান গাঁৱৰ এটা পথ মেৰামতি কৰিবলৈ আৰম্ভ কৰে। উল্লেখ্য যে পঞ্চায়ত নিৰ্বাচনৰ সময়ত বৰজান গাঁৱৰ মূল পথছোৱা মেৰামতি কৰাৰ বাবে গাঁওখনৰ সদস্য পদৰ প্ৰাৰ্থী আলোমগীৰ মোল্লা আৰু আঞ্চলিক পঞ্চায়ত সদস্য পদৰ প্ৰাৰ্থী মনজুৰ আলমে ৰাইজক প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। সম্প্ৰতি দবাপিটা বৰষুণৰ ফলত পথছোৱা ইতিমধ্যে জৰাজীৰ্ণ হৈ যাতায়াতৰ ক্ষেত্ৰত অনুপযোগী হৈ পৰিছে। সেয়ে নিৰ্বাচনত জয়ী হোৱাৰ পিছত চৰকাৰী আঁচনিলৈ অপেক্ষা নকৰি নিজৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ নৱনিৰ্বাচিত পঞ্চায়ত সদস্য আৰু আঞ্চলিক পঞ্চায়ত সদস্যই মিলি নিজৰ ধন খৰচ কৰি জৰাজীৰ্ণ পথছোৱাত শিল-বালি পেলায়। লগতে জনপ্ৰতিনিধি দুগৰাকীয়ে নিজে হাতত কোৰ লৈ পথছোৱা মেৰামতি কৰিবলৈ আৰম্ভ কৰে। নৱনিৰ্বাচিত জন প্ৰতিনিধিৰ এনে পদক্ষেপক ভূয়সী প্ৰশংসা কৰিছে স্থানীয় লোকে।

# কৃত্ৰিম বানত ডুব গৈছে পশ্চিম নগাঁৱৰ অধিকাংশ কৃষিভূমি

**ই-সংবাদ, বেৰেজীয়া, ৩ জুনঃ** বিগত কেইবাদিনো ধৰি পৰি থকা বৰষুণৰ বাবে নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ গ্ৰামাঞ্চলবোৰৰ বাট-পথ বোকা-পানীৰে উপচি পৰি কদৰ্য ৰূপ ধাৰণ কৰাৰ বিপৰীতে কৃষিভূমিসমূহ জলমগ্ন হৈ পৰিছে। যাৰ পৰিণতিত ৰাইজৰ দৈনন্দিন প্ৰয়োজনীয় কাম-কাজ চলাই নিয়াত ব্যাঘাত জন্মাৰ লগতে কৃষিজীৱী লোকসকল দুঃচিন্তাত পৰিবলগীয়া হৈছে । কাৰণ, একমাত্ৰ কৃষিকাৰ্যৰে জীৱিকা-নিৰ্বাহ কৰা পশ্চিম নগাঁৱৰ অধিকাংশ কৃষকৰে কৃষিভূমিসমূহ বৰ্তমান বৰষুণৰ পানীত ডুব যাবলৈ ধৰাত খেতিয়কসকল চিন্তাগ্ৰস্ত হৈ পৰাটো স্বাভাৱিক। উল্লেখ্য, জিলাখনৰ পশ্চিম প্ৰান্তৰ হাতীচোং, কাছমাৰী, বটদ্ৰৱা আৰু শিলপুখুৰী মৌজাৰ কৃষকসকলৰ প্ৰধান খেতি হ'ল ধানখেতি। সম্প্ৰতি তথ্য-প্ৰযুক্তিৰ যুগতো আধুনিক কৃষি পদ্ধতি তথা কৃষি বিভাগে গ্ৰহণ কৰা বা সুবিধা প্ৰদান কৰা বিভিন্ন আঁচনিৰ পৰা যুগ যুগ ধৰি বঞ্চিত হৈ অহা এই মৌজা কেইটাৰ সৰহখিনি কৃষকে বিগত বৰ্ষত প্ৰতিকূল বতৰৰ বাবে কৃষিকৰ্ম সুকলমে সম্পাদন কৰিব পৰা নাছিল । কিন্তু সেই দুখ মনৰ পৰা মোহাৰি বৰ্তমান এই কৃষকসকলে শালিধানৰ খেতিৰ বাবে প্ৰস্তুতি চলাইছিল। সম্প্ৰতি কৃষিভূমিবোৰ বৰষুণৰ পানীত ডুব যাবলৈ আৰম্ভ কৰাত দৰিদ্ৰ কৃষকসকলে মূৰে-কপালে হাত দিবলগীয়াত পৰিছে। আনহাতে, মৌজা কেইটাৰ একাংশ কষ্টসহিষ্ণু কৃষকে ব্যৱসায় ভিত্তিত কৰা শাক-পাচলিৰ খেতিৰ বহুখিনি ধাৰাবাহিকভাৱে দি থকা বৰষুণৰ ফলত নষ্ট হোৱা দেখা গৈছে। পৰিণতিত লোকচানৰ সন্মুখীন হোৱা এইসকল কৃষকে ভৱিষ্যতৰ কথা ভাবি চিন্তিত হৈ পৰিছে। ইয়াৰ বিপৰীতে উক্ত মৌজাকেইটাৰ গ্ৰামাঞ্চলবোৰৰ ৰাস্তা-ঘাটবোৰ বৰষুণৰ ফলত বোকাময় হৈ পৰাত সৰ্বস্তৰৰ ৰাইজে যাতায়াতৰ ক্ষেত্ৰত জীয়াতু ভুগিবলগীয়া হৈছে। এই গ্ৰামাঞ্চলসমূহৰ কেইবাটাও গুৰুত্বপূৰ্ণ পথেৰে এইকেইদিন যাতায়াত ব্যাহত হৈ পৰিছে।

# সৃজনগ্ৰামত ৰাছেল ভাইপাৰৰ দংশনত অসুস্থ শ্ৰমিক, চিকিৎসালয়ত ভৰ্তি

**ই-সংবাদ, অভয়াপুৰী, ৩ জুনঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰামত আজি পুৱা খেতি-পথাৰত ধান দাই থাকোঁতে বিষাক্ত ৰাছেল ভাইপাৰৰ দংশনত শ্ৰমিক এজন গুৰুতৰভাৱে অসুস্থ হৈ পৰে। জানিব পৰা মতে, অঞ্চলটোৰ ২ নং বালাৰচৰৰ শ্ৰমিক চুৰথ জামালে আন শ্ৰমিকৰ সৈতে কাছাৰীপেটী তৃতীয় খণ্ডৰ এঘৰ লোকৰ ধান দাবলৈ যায়। ধান দাই থাকোঁতে শ্ৰমিকজনৰ ভৰিৰ কিনা আঙুলিত সাপ এডালে দংশন কৰে। পিছত আন শ্ৰমিকে লগে লগে সাপডাল বিচাৰি উলিয়াই মাৰি পেলোৱাৰ পিছত সাপডাল ৰাছেল ভাইপাৰ বুলি নিশ্চিত হোৱাৰ লগতে ততাতৈয়াকৈ সৃজনগ্ৰামৰ চিকিৎসালয়ত ভৰ্তি কৰায়। উল্লেখ্য যে বিগত বৰ্ষৰ ১৩ নৱেম্বৰৰ দিনা জিলাখনৰ সৃজনগ্ৰাম অঞ্চলৰ পথাৰত খেতি চপোৱা সময়তে বিষাক্ত ৰাছেল ভাইপাৰ সৰ্পৰ দংশনত দুজনকৈ লোক মৃত্যুমুখত পৰিছিল। সৃজনগ্ৰাম ৰাজহ চক্ৰৰ অন্তৰ্গত বালাৰপেটি, ২ নং চিল্যাপাৰা, আমগুৰি আদি অঞ্চলৰ এক বিস্তীৰ্ণ কৃষিভূমিৰ পৰা কৃষকসকল শালিধান চপোৱা কাৰ্যত নামি পৰা সময়তে বিষাক্ত সৰ্পৰ দংশনত ইতিমধ্যে ৰফিকুল ইছলাম (৩৮) নামৰ লোকজনে মৃত্যুক আঁকোৱালি ল'বলগীয়া হোৱাৰ লগতে উক্ত বৰ্ষৰে ২৫ অক্টোবৰত বালাৰপেটি পথাৰত ধান চপাবলৈ যোৱা কৰিমন নেছা (৩৯) নামৰ মহিলা এগৰাকীকো বিষাক্ত সৰ্পই দংশন কৰাৰ পিছত মৃত্যুক সাবটি ল'বলগীয়া হয়। তেনে পৰিস্থিতিত কৃষকসকলে পকা ধান চপাবলৈ হাত-ভৰিত মোজা-বুটজোতা পিন্ধি পথাৰত নামিবলৈ বাধ্য হৈছিল।

# গৰখীয়া সবাহ আৰু শৰাইৰ এদিন উৎসৱৰ আয়োজন

**ই-সংবাদ, বেৰেজীয়া, ৩ জুনঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ বেৰেজীয়াৰ নিচেই কাষৰ ইতিহাসপ্ৰসিদ্ধ জামুগুৰি গাঁওখনিৰ আছে এক বিশেষ বৈশিষ্ট্য। এই গাঁওখনিত অৱস্থিত প্ৰায় তিনিশ বছৰ পুৰণি সাৰ্বজনীন গৰখীয়া থানভাগ আজিও স্ব-মহিমা আৰু স্ব-গৰিমাৰে উজ্জীৱিত হৈ আছে। এই ঐতিহাসিক থানখনিত প্ৰতি বছৰে উদযাপিত হৈ অহা বাৰ্ষিক অনুষ্ঠান "গৰখীয়া সবাহ আৰু শৰাইৰ এদিন" উৎসৱটি পূৰ্বৰ দৰে এইবাৰো অহা ২ আৰু ৩ আগষ্টত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজনৰ দিহা কৰা হৈছে। জনবিশ্বাস মতে, বছৰৰ কোনো এক শুভ ক্ষণত অনুষ্ঠিত কৰি অহা "গৰখীয়া সবাহ আৰু শৰাইৰ এদিন" উৎসৱভাগত শুদ্ধ মন আৰু সৰলভাৱে কোনো লোকে যদি শৰাই-সঁফুৰা আগবঢ়ায় তেন্তে তেনে লোকৰ অপূৰণ অভীপ্সা পূৰণ হোৱাৰ উদাহৰণ জামুগুৰি গাঁৱৰ গৰখীয়া থানখনিৰ অন্য এক উল্লেখযোগ্য মাহাত্ম্য ৰূপে আজিও ভক্তপ্ৰাণ ৰাইজৰ মন-দাপোণত জিলিকি আছে। জিলাখনৰ ভিতৰতে এখনি পুৰাতন থানৰূপে ভকত-বৈষ্ণৱৰ হৃদয়ত ঢৌ খেলি থকা নিঃসন্তানৰ সন্তানপ্ৰাপ্তি থানখনিৰ এক বিশেষ বৈশিষ্ট্য। এনে আশা-প্ৰত্যাশাক বুকুত পৱিত্ৰ ভাৱেৰে ধাৰণ কৰি গভীৰ বিশ্বাসেৰে বছৰৰ এই অনুষ্ঠানত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা ভক্ত আহি ইয়াত শৰাই-নৈবেদ্য আগবঢ়ায়। সেয়ে সকলো ভক্তপ্ৰাণ ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি উৎসৱৰ উদযাপন সমিতিৰ হৈ সভাপতি পুষ্পেন্দ্ৰ হাজৰিকা আৰু সম্পাদক বুবুল বৰদলৈয়ে আন্তৰিকতাৰে কামনা কৰাৰ লগতে সকলো ভক্তপ্ৰাণ ৰাইজলৈ আগবঢ়োৱা বিশেষ শৰাইসমূহ ১ আগষ্টৰ পৰা ৩ আগষ্টৰ পুৱা ১০ বজাৰ ভিতৰত গৰখীয়া থানৰ কাৰ্যালয়ত জমা দিবলৈ অনুৰোধ জনাইছে ।

# নগাঁৱত বলীয়া বানে প্ৰাণ ল'লে ৫ বছৰীয়া শিশুৰ

**ই-সংবাদ, বেৰেজীয়া, ৩ জুনঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাতো অব্যাহত আছে বানৰ জটিল পৰিস্থিতি। বাঢ়নী পানীয়ে জিলাখনৰ বহু অঞ্চল প্লাৱিত কৰি ৰাইজক সীমাহীন দুৰ্যোগৰ সন্মুখীন কৰাইছে। ইয়াৰ মাজতে বানে তাণ্ডৱ চলোৱা জিলাখনৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ কচুৱাত সংঘটিত হৈছে এক হৃদয়বিদাৰক ঘটনা। বানৰ বিভীষিকাময় পৰিস্থিতিৰ মাজতে বলিয়া বানে প্ৰাণ ল'লে এটি পাঁচ বছৰীয়া শিশুৰ। এই কৰুণ ঘটনাটো সংঘটিত হৈছে কচুৱা আৰক্ষী থানা এলেকাধীন পশ্চিম নাৰায়ণপুৰত। শিশুটিৰ নাম হৈছে বিশাল ৰাজভৰ। প্ৰাপ্ত খবৰ মতে, কালি বিয়লি ঘৰৰ কাষতে খেলি থকাৰ মাজতে সন্ধানহীন হয় কণমানি শিশুটি। হঠাতে শিশুটি নিখোজ হোৱাত পৰিয়ালৰ লোকৰ মাজত হুৱাদুৱা লাগে আৰু সম্ভাব্য সকলো ঠাইতে নিশা পৰ্যন্ত বিচাৰ-খোঁচাৰ কৰে যদিও শিশুটিৰ কোনো সম্ভেদ নোলাল। কিন্তু আজি পুৱা পথাৰৰ বাঢ়নী পানীত উদ্ধাৰ কৰা হয় শিশুটিৰ নিথৰ দেহ। শিশুটিয়ে উমলি থাকোঁতে বাঢ়নী পানীত পৰাত বানে উটুৱাই নিয়াৰ ফলতেই শিশুটিৰ সলিল সমাধি ঘটে বুলি ৰাইজে মত ব্যক্ত কৰিছে। পিছত ঘটনাৰ খবৰ পাই কচুৱা আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ শিশুটিৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও চহৰলৈ প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে কণমানি এই শিশুটিৰ জন্মৰ পিছতেই মাতৃৰ মৃত্যু ঘটাত তেতিয়াৰ পৰাই নিজৰ জেঠায়েকেই শিশুটিক ডাঙৰ-দীঘল কৰি আহিছিল। মাতৃহীনা শিশুটিৰ এনে কৰুণ মৃত্যুত অঞ্চলৰ সকলোকে মৰ্মাহত কৰি তুলিছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# তীব্ৰ যান-জঁট! চাইকেল চলাই খেলপথাৰ পালে ক্ৰিকেটাৰ

**লণ্ডন, ৩ জুনঃ** ইংলেণ্ড আৰু ৱেষ্ট ইণ্ডিজৰ মাজত তৃতীয় এদিনীয়া খেলৰ আৰম্ভণি পলমকৈ হৈছিল। খেলৰ পূৰ্বেই লণ্ডনত প্ৰচণ্ড যান-জঁটত আবদ্ধ হৈ পৰিছিল ৱেষ্ট ইণ্ডিজৰ দলীয় বাছ। ইয়াৰ ফলত ক্ৰিকেটাৰসকলে খেলপথাৰত উপস্থিত হোৱাত পলম হয়। একেটা কাৰণতে ইংলেণ্ডৰ একাংশ ক্ৰিকেটাৰে চাইকেলেৰে খেলপথাৰলৈ যোৱা দেখা যায়। ইতিমধ্যে তিনিখন খেলৰ শৃংখলাৰ প্ৰথম দুখন মেচত জয়লাভ কৰি ইংলেণ্ডে শৃংখলা দখল কৰিছে। গতিকে অভালত তৃতীয়খন মেচ আছিল নিয়মৰ উৰ্ধ্বত। নিৰ্ধাৰিত সময়ত খেলপথাৰত উপস্থিত হ'লেও দুয়োটা দলৰ ক্ৰিকেটাৰ ক'তো দেখা নগ'ল। ইয়াৰ পিছতে ৱেষ্ট ইণ্ডিজ ক্ৰিকেট দলটোৱে ছ'চিয়েল মিডিয়াত ঘোষণা কৰে যে তেওঁলোক যান-জঁটত আবদ্ধ হৈ আছে। খেলপথাৰত পলমকৈ অহাৰ বাবে ৱেষ্ট ইণ্ডিজৰ ক্ৰিকেটাৰসকলে খেলৰ পূৰ্বে অনুশীলন কৰিব পৰা নাছিল। পোনে পোনে পথাৰলৈ যাবলগীয়া হয়। কিন্তু যান-জঁটৰ আশংকাত ইংলেণ্ডৰ ক্ৰিকেটাৰসকলে চাইকেল ভাড়া কৰি খেলপথাৰলৈ গৈ অনুশীলন সম্পূৰ্ণ কৰে। হেৰী ব্ৰুক, জোছ বাটলাৰ, ব্ৰাইডন কাৰ্চিছ আৰু মেথিউ পটছক চাইকেলেৰে খেলপথাৰলৈ যোৱা



দেখা গৈছিল, যাৰ ভিডিঅ' ভাইৰেল হৈ পৰে। যদিও ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৫ বজাত টছ অনুষ্ঠিত হোৱাৰ কথা আছিল, তথাপিও ক্ৰিকেটাৰসকল পলমকৈ অহাৰ বাবে সন্ধিয়া ৫.৪০ বজাত টছ অনুষ্ঠিত হয় আৰু সন্ধিয়া ৬ বজাৰ পৰা খেল আৰম্ভ হয়। কিন্তু অভাৰ কমাই নোপোৱাত সম্পূৰ্ণ ৫০ অভাৰৰ খেলখন অনুষ্ঠিত হয়। বাৰ্মিংহামত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে প্ৰথমখন খেলত ইংলেণ্ডে জয়লাভ কৰে। কাৰ্ডিফত অনুষ্ঠিত দ্বিতীয়খন মেচত ৰান খেদিবলৈ কিছু অসুবিধাৰ সন্মুখীন হ'লেও জো ৰুটৰ শতকৰ বাবেই তেওঁলোকে মেচখন আৰু ছিৰিজখন জয়ী হয়। ইংলেণ্ডে দ্য অ'ভেলত অনুষ্ঠিত চূড়ান্ত খেলখনত জয়লাভ কৰি ৱেষ্ট ইণ্ডিজক হোৱাইট ৱাচ কৰাৰ লক্ষ্যৰে খেলপথাৰত প্ৰৱেশ কৰে।



১৭ বছৰীয়া প্ৰতীক্ষাৰ অন্ত! পঞ্জাৱ কিংগছক হৰুৱাই ২০২৫ আইপিএলৰ খিতাপ অৰ্জন ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ

## সমগ্ৰ দেশজুৰি উৎসৱমুখৰ পৰিৱেশ, অসম্ভৱৰ হৈ পৰিল সম্ভৱ!

# ১৭ বছৰীয়া প্ৰতীক্ষাৰ অন্তত আইপিএলৰ বিজয় খিতাপ আৰচিবিৰ

**বাংগালুৰু, ৩ জুনঃ** পৰাজয়ৰ ওচৰত নতশিৰ নকৰাৰ মানসিকতা, অগণন অনুৰাগীৰ প্ৰাৰ্থনা আৰু খেলুৱৈসকলৰ দুৰ্দান্ত প্ৰদৰ্শনেৰে অৱশেষত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বাবে অন্ত পৰিল ১৭ বছৰীয়া বনবাসৰ। আই পি এলৰ ৰোমাঞ্চকৰ ফাইনেলত পাঞ্জাৱ কিংছক মাত্ৰ ৬ ৰানত পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে বিজয়ীৰ খিতাপ দখল কৰিবলৈ ৰজত পাটিদাৰৰ আৰচিবিয়ে। শেষৰ বলটোলৈকে উত্তেজনাৰে ভৰা এই মেচখনত বাংগালুৰুৰ জয়ৰ লগে লগে পূৰ্ণ হ'ল অসংখ্য অনুৰাগীৰ এক অলীক সপোন। প্ৰথমে বেটিং কৰি ৰয়েল চেলেঞ্জাৰছ বাংগালুৰুৱে নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেট হেৰুৱাই ১৯০ ৰান সংগ্ৰহ কৰে। বিৰাট কোহলীয়ে ৪৩ ৰান সংগ্ৰহ কৰি দলটোৰ বাবে এক উল্লেখযোগ্য অৱদান আগবঢ়ায়। ইয়াৰ উপৰিও ৰজত পাটিদাৰে ২৬ ৰান আৰু লিয়াম লিভিংষ্টনে ২৫ ৰান সংগ্ৰহ কৰি দ্ৰুত ৰান সংযোজন কৰে। পঞ্জাৱ কিংছৰ হৈ কাইল জেমিছন আৰু অৰ্শদ্বীপ সিঙে ৩টাকৈ উইকেট দখল কৰি আৰ চি বিৰ বৃহৎ স্ক'ৰত কিছু বাধাৰ সৃষ্টি কৰে। ইফালে ১৯১ ৰানৰ লক্ষ্য খেদি ক্ৰিজত নমা পঞ্জাৱ কিংছে ভাল আৰম্ভণি কৰিছিল যদিও নিয়মীয়া ব্যৱধানত উইকেট হেৰুৱাই থাকিল। যদিও জোছ ইংলিছে ৩৯ ৰান কৰে, তেওঁক সহযোগ কৰিবলৈ সক্ষম নহ'ল আন কোনো। খেলখনৰ শেষলৈকে শশাংক সিঙে অপৰাজিত ৬১ ৰানেৰে জয়ৰ অকণমান আশা জীয়াই ৰাখে যদিও সেয়াও শেষত স্তিমিত হয়। ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৮৪ ৰানতে থমকি ৰয় পঞ্জাৱ কিংছ। আৰচিবিৰ হৈ ক্ৰুনাল পাণ্ডিয়াই বলৰ সৈতে সৰ্বাধিক সফলতা লাভ কৰে। তেওঁ ৪ অভাৰত মাত্ৰ ১৭ ৰানত ২টা গুৰুত্বপূৰ্ণ উইকেট দখল কৰে। ভুবনেশ্বৰ কুমাৰেও ২টা উইকেট দখল কৰে। শেষৰ অভাৰত জয়ী হ'বলৈ পঞ্জাৱ কিংছক ১৫ ৰানৰ প্ৰয়োজন হৈছিল যদিও আৰ চি বিৰ বলাৰসকলে হেঁচা অব্যাহত ৰাখি দলটোক এক ঐতিহাসিক জয় প্ৰদান কৰে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA
MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি